সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২৪ সংখ্যা, ২৮ জেঠ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 24 * Date Of Publication - 12 June 2022 Rs.10.00/-

## তেজপুৰত অনুষ্ঠিত ৫০ সংখ্যক কেবিনেট বৈঠকত চৰকাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত

ৰঙিলী বাৰ্ত্তাসেৱা- ৩৫০ কোটি টকা ব্যয়েৰে অমৃত সৰোবৰ নিৰ্মাণ কৰিব চৰকাৰে। ৫ হাজাৰ আসনবিশিষ্ট প্ৰেক্ষাগৃহ হ'ব গুৱাহাটীত। ১৮৫ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰিব প্ৰেক্ষাগৃহ ।অসমৰ আটাইতকৈ ব্যয়বহুল ফ্লাইঅভাৰ হ'ব তেজপুৰত। তেজপুৰৰ মিছন চাৰিআলিত নিৰ্মাণ কৰিব ফ্লাই অ'ভাৰ। ৪৭৪ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা হ'ব ফ্লাই অভাৰ। স্থানান্তৰ কৰা হ'ব তেজপুৰ কাৰাগাৰ ।বৰ্তমানৰ কাৰাগৰত স্থাপন হ'ব সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কৰিব এহেজাৰ আসন বিশিষ্ট প্ৰেক্ষাগৃহৰ। তেজপুৰৰ বৰপুখুৰীক নতুনকৈ সজাই তুলিব চৰকাৰে। ইয়াৰ বাবে অসম চৰকাৰে ১৬ কোটি টকা ব্যয় কৰিব। বাণ থিয়েটাৰক নতুনকৈ সজাই তোলা হব। ইয়াৰ বাবে ৪.৫০ কোটি পুঁজিত অনুমোদন। ৰাজ্যত ৫৭ লাখ স্মাৰ্ট মিটাৰ যোগান ধৰিব চৰকাৰে। ২৭৮২ ফিডাৰ মিটাৰত অনুমোদন কেবিনেটত। ৰাজ্যত




৭৭ হাজাৰ নতুনকৈ ট্ৰেন্সফৰ্মাৰ স্থাপন কৰিব চৰকাৰে ।আলাবৈৰ স্মৃতি ৰণক্ষেত্ৰৰ বাবে বিশেষ পুঁজি। ১৫০ কোটি টকাৰ পুঁজি কেবিনেটত। ১৩০ বিঘা ভূমিত নিৰ্মাণ হব প্ৰকল্প। ১০০ ফুট ওখ হেংদাং নিৰ্মাণ হ'ব। যোৰহাট কাৰাগাৰক সংৰক্ষণ কৰিব চৰকাৰে। ১৩৪.৯১ কোটি টকাৰ পুঁজিত অনুমোদন। নতুনকৈ সজাই তোলা হ'ব যোৰহাট কাৰাগাৰ। গৰুখুঁটি প্ৰকল্পক লৈ কেবিনেটত সিদ্ধান্ত। গৰুখুঁটি প্ৰকল্পক স্থায়ী প্ৰকল্পৰূপে ঘোষণা মুখ্যমন্ত্ৰীৰ। প্ৰকল্পত থাকিব এজন অধ্যক্ষ, এজন এই চি এচ বিষয়া। এতিয়াৰে পৰা গৰুখুটিৰ কৃষি প্ৰকল্প পৰিচালনা কৰিব স্থায়ী সমিতিয়ে। তামুলপুৰ আৰু বৰ্মাক পোনপটীয়াকৈ সংযোগ কৰিব। পাগলাদিয়াৰ ওপৰত নিৰ্মাণ হ'ব দলং।২৪৭ কোটিৰ পুঁজিত অনুমোদন কেবিনেটৰ। এই পথটোৰে ভূটানলৈ বিকল্প পথৰ সৃষ্টি কৰিব। লখিমপুৰ আৰু ঢকুৱাখনাক পোনপটীয়াকৈ সংযোগ কৰা হ'ব। ঘৃণাসুঁতিৰ ওপৰত দলং নিৰ্মাণ কৰিব চৰকাৰে। ৩৮৩ কাটি টকাৰ পুঁজিত অনুমোদন কেবিনেটৰ। ২৩ কিঃমিঃ অতিক্ৰম কৰিলেই সংযোগ হ'ব লখিমপুৰ

( দুই পৃষ্ঠাত চাওক)

## লণ্ডনলৈ তেজপুৰৰ লিচু ৰপ্তানিৰ ফ্লেগ অফ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- বিদেশৰ বজাৰত তেজপুৰৰ লিচুৱে সমাদৰ লাভ কৰাৰ সময়তে আনুষ্ঠানিকভাৱে সুদূৰ লণ্ডনলৈ তেজপুৰৰ লিচু ৰপ্তানিৰ ফ্লেগ অফ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিজেও এই লিচু খাই আৰু সতীৰ্থ মন্ত্ৰীসকলকো সোৱাদ ল'বলৈ দিলে। ২০১৫ চনতে জি আই টেগ লাভ কৰিবলৈ সক্ষম হোৱা তেজপুৰৰ মুস্বায়া, ইলাচী, বাদামী, দেশী, বিলাতী ইত্যাদি বিভিন্ন প্ৰজাতিৰ লিচুৱে ইতিমধ্যে দেশে-বিদেশে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ১০৬জন কৃষকৰে গঠিত অগ্নিগড় কৃষক উৎপাদক



কোম্পানীৰ যাৰা উৎপাদিত ৬৫০ কিলোগ্ৰাম তেজপুৰ লিচু কিগা এক্সিমছ নামৰ কোম্পানীটোৱে লণ্ডনলৈ ৰপ্তানি কৰে। অগ্নিগড় ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীৰ জৰিয়তে তেজপুৰৰ এই বিখ্যাত লিচুৰ প্ৰথমটো কনচাইনমেণ্ট আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰি লণ্ডনলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। শ্বাহি প্ৰজাতিৰ ৬০০

( পাঁচ পৃষ্ঠাত চাওক)

### সম্পাদকীয়ঃ

## চৰকাৰী বিদ্যালয়ৰ ফলাফল



সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত দেখা গৈছে যোৱা চাৰিবছৰৰ ভিতৰত এইবাৰ উত্তীৰ্ণ হাৰ সৰ্বনিম্ন। উত্তীৰ্ণ হাৰ ৫৬.৪৯শতাংশ। তাৰ বিপৰীতে ২০১৯ বৰ্ষত ৬০.২৩ শতাংশ, ২০২০বৰ্ষত ৬৪.৮০শতাংশ আৰু ২০২১চনত ৯৩.০১শতাংশ। দেখা গ'ল ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ তুলনাত চৰকাৰী বিদ্যালয়ৰ ফলাফলৰ হাৰ একেবাৰে শোচনীয়। ৩০ খন চৰকাৰী বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ শূণ্য শতাংশ আৰু বাকী ১০৮ খন বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ মাত্ৰ ১০ শতাংশ। যিটোসময়ত চৰকাৰৰ কোটি কোটি টকা ব্যয় হৈ আছে চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা দিয়াৰ নামত তেনে সময়তে এনেকুৱা এটা খবৰে ৰাজ্যখনৰ শিক্ষাজগতলৈ অশনি সংকেত কঢ়িয়াই আনিছে। এইটো সত্য যে আজিকালি চৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহত ধনী আৰু মধ্যবিত্ত কোনেও নিজৰ সন্তান সমূহক পঢ়োৱাবলৈ মন নকৰে। কিন্তু কিয় ? সেই কিয়টো যদি আমি ফহিয়াই চাওঁ বহু কেইটা আসোঁৱাহ আমাৰ চকুৰ আগত ভাহি আহিব। এনে এটা সময় আছিল য'ত চৰকাৰী বিদ্যালয়ৰ চিট পৰীক্ষাক লৈ, তাৰপিছত হাইস্কুল এখনত নামভৰ্ত্তি কৰাক লৈ অভিভাৱক সকলৰ যিটো তৎপৰতা দেখিবলৈ পোৱা গৈছিল সেই তৎপৰতা আজিকালি ম্লান পৰা দেখা গৈছে। ইয়াৰ কাৰণ হ'ল চৰকাৰী বিদ্যালয় সমূহৰ আন্তঃগাঁথনিৰ অভাৱ আৰু প্ৰয়োজনতকৈ শিক্ষকৰ সংখ্যা কম। বিশেষকৈ প্ৰাথমিক বিদ্যালয় সমূহত প্ৰয়োজন অনুসৰি শিক্ষকৰ সংখ্যা কম। কিছুমান বিদ্যালয়ত দেখা যায় খালী হোৱা বিজ্ঞান শিক্ষকৰ পদটো পূৰণ নোহোৱাৰ বাবে বিজ্ঞানৰ শিক্ষক নোহোৱা স্বত্বেও বেলেগ বিষয় শিক্ষকেই যি পাৰিছে তাৰেই ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰিছে। ফলত উপযুক্ত শিক্ষাৰ পৰা ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হৈছে। ইয়াৰ বাবে ফলাফল বেয়া হৈছে বুলি কেৱল শিক্ষক-শিক্ষয়েত্ৰীক দোষ জাপিদিলেই নহ'ব ইয়াত চৰকাৰৰ কৰণীয় বহুখিনি আছে। কেৱল গুণোৎসৱ পাতি বিদ্যালয় খনৰ গুণগুত মানদণ্ডৰ মাপকাঠিডাল জুখি চালেই নহ'ব। বৰ্তমান সময়ত দেখা পোৱা গৈছে বিদ্যালয় খনৰ উন্নয়নৰ স্বাৰ্থত একোখন চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে নিজৰ পকেটৰ ধন ব্যয় কৰিবলৈও কুণ্ঠাবোধ নকৰে। কিন্তু কিমানখিনিলৈকে কৰিব ? বিদ্যালয় সমূহৰ আন্তগাৰ্থনিৰ বিষয়টোৰ ওপৰত চৰকাৰে গুৰুত্ব দিয়াটো অতিকৈ প্ৰয়োজনীয় কথা ।বিদ্যালয় গৃহটো আৰ্কৰ্ষণীয় নহ'লে ছাত্ৰ-ছাত্ৰীসকলেও তাত পঢ়িবলৈ ইচ্ছা প্ৰকাশ নকৰে। তাৰোপৰি ছাত্ৰ-ছাত্ৰীৰঅনুপাতে শিক্ষক নিযুক্তি ৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কেৱল বহু বছৰৰ মূৰত টেট পৰীক্ষা পাতি শিক্ষক নিযুক্তি দিয়াতকৈ নিযুক্তি প্ৰক্ৰিয়া টো অলপ সোনকাল কৰা দৰকাৰ। কাৰণ একাধিক পদ কেইবাবছৰ ধৰি খালী হৈ থাকিলে এনেধৰণৰ ফলাফলৰ পুনৰাবৃত্তি হোৱাৰ আশংকাই বেছি।

# দেশ কঁপোৱা অভি-নীল হত্যাকাণ্ডৰ চাৰি বছৰ সম্পূৰ্ণ

ৰঙিলী বাৰ্তাসেৱা- দেশ কঁপোৱা অভি-নীল হত্যাকাণ্ডৰ চাৰি বছৰ সম্পূৰ্ণ হ'ল। ২০১৮ চনত সংঘটিত হৈছিল সকলোৰে মন, মগজু জোকাৰি যোৱা সেই নাৰকীয় ঘটনাটো। কাৰ্বি পাহাৰৰ মনোৰম সৌন্দৰ্য উপভোগ কৰিবলৈ যোৱাৰ সময়তে এদল পশুতুল্য লোকে বৰ্বৰভাৱে আক্ৰমণ কৰি হত্যা কৰিছিল অভিজিৎ নাথ আৰু নীলোৎপল দাসক। একাংশ নৰপিশাচৰ হাতত প্ৰাণ দিবলগীয়া হৈছিল গুৱাহাটীৰ



দুই প্ৰতিভাৱান যুৱক নিলোৎপল দাস আৰু অভিজিৎ নাথে।কাৰ্বি আংলঙৰ ডকমকাত মানৱৰূপী একাংশ দানৱে অতি বৰ্বৰভাৱে মৰিয়াই মৰিয়াই হত্যা কৰিছিল নিলোৎপল দাস আৰু অভিজিৎ নাথক।নিলোৎপল, অভিজিতৰ সেই মৰণকাতৰ চিঞৰে আজিও কঁপাই তোলে প্ৰতিজন অসমীয়াৰ হৃদয়।এই ঘটনা সংঘটিত হোৱাৰ পিছতেই কেৱল অসমতেই নহয়, সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ৰাছিয়াতো এই নাৰকীয় ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত হৈছিল। কিন্তু আজিলৈ ন্যায় নাপালে অভিজিৎ নাথ আৰু নীলোৎপল দাসৰ পৰিয়ালে। আজিও ন্যায়ৰ অপেক্ষাত নিলোৎপল, অভিজিতৰ পৰিয়াল।

# পি পি ই কিট কেলেংকাৰিৰ ন্যায়িক তদন্ত আৰু মুখ্যমন্ত্ৰীৰ পদত্যাগৰ দাবীত আপৰ বিক্ষোভ

ৰঙিলী বাৰ্তাসেৱা- বৃহৎ পিপিই কিট কেলেংকাৰিৰ উচিত তদন্ত আৰু মুখ্যমন্ত্ৰীৰ পদত্যাগৰ দাবীত আম আদমি পাৰ্টীয়ে মহানগৰীৰ গণেশগুৰিস্থিত মুখ্য কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। আপৰ পাঁচ শতাধিক সদস্যই 'বিজেপি চৰকাৰ হায় হায়, বিজেপি গ' বেক, পিপিই কিট কেলেংকাৰিৰ ন্যায়িক তদন্ত কৰক', 'মুখ্যমন্ত্ৰীয়ে পদত্যাগ কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। দলটোৱে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে বিভিন্ন বেনাৰ, প'ষ্টাৰ, প্লে'কাৰ্ড আদি প্ৰদৰ্শন কৰে। ইতিমধ্যে পুৱাৰ পৰা সন্তম হৈ থকা আৰক্ষী বাহিনীয়ে গণেশগুৰিৰ উৰণ সেঁতুৰ দুয়োমুৰে লোহাৰ বেৰিকেট দি প্ৰতিবাদকাৰীক বাধা প্ৰদান কৰে।তাৰ পাছতে দলটোৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে দিছপুৰৰ এচিপি হিমাংশু দাসৰ জৰিয়তে ৰাজ্যপাললৈ ন্যায়িক তদন্তৰ দাবীত স্মাৰক পত্ৰ প্ৰেৰণ কৰে।আপৰ ৰাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে অভিযোগ উত্থাপন কৰি কয়- হিমন্ত বিশ্ব শৰ্মা যেতিয়া ২০২০ চনত অসমৰ স্বাস্থ্যমন্ত্ৰী আছিল, তেতিয়া তেওঁৰ পত্নীৰ কোম্পানী জে চি বি



ইণ্ডাষ্ট্ৰিজ আৰু তেওঁৰ পৰিয়ালৰ সহযোগী কোম্পানী 'মেডিটাইম হেলথ কেয়াৰে' এটাত ৯৯০ টকাকৈ পিপিই কিট্ যোগানৰ ঠিকা লাভ কৰিছিল। চৰকাৰে কিট্সমূহ এটাত ৬০০ টকা দৰত কিনাৰ অৱকাশ থকাৰ পাছতো এনে কৰা হৈছিল। এই ঘটনাৰ চিবিআই তদন্ত বিচাৰিছে দলটোৱে। হিমন্ত বিশ্ব শৰ্মা স্বাস্থ্যমন্ত্ৰী হৈ থকা চৰকাৰৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালে ব্লেক লিষ্টেড কৰা ৰাজীৱ বৰাৰ মালিকাধীন এজাইল এছ'ছিয়েশ্বনক হিমন্ত বিশ্ব শৰ্মাই ২০২০ চনৰ ১০ এপ্ৰিলত পিপিই কিট যোগানৰ অনুমোদন দিছিল ২,২০৫ টকাকৈ। আপে বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীক অসমৰ সৰ্বকালৰ মিছলীয়া মুখ্যমন্ত্ৰীৰূপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পদত্যাগ কৰাৰ লগতে তেওঁৰ পত্নী ৰিণিকি ভূঞা শৰ্মা আৰু ঘনশ্যাম ধনুকাৰ কোম্পানীৰ বিৰুদ্ধেও তদন্ত কৰি সেইসকলক গ্ৰেপ্তাৰ কৰিব লাগে। এই কেলেংকাৰি পোহৰলৈ অহাৰ পাছত মুখ্যমন্ত্ৰীয়ে পিপিই কিট সমূহ তেওঁৰ পত্নীয়ে দান দিয়া বুলি কয়। কিন্তু দান দিয়া সামগ্ৰীৰ 'ৱৰ্ক অৰ্ডাৰ' থাকে বুলি প্ৰশ্ন কৰে ডাঃ চৌধুৰীয়ে। এগৰাকী জনপ্ৰতিনিধি হৈ মুখ্যমন্ত্ৰীয়ে এই কেলেংকাৰিত জড়িত থাকি ভয়ংকৰ অপৰাধ সংঘটিত কৰিছে। এই কেলেংকাৰিত তেওঁৰ পত্নী, পুত্ৰ নন্দিল বিশ্ব শৰ্মা, এজাইল এছ'চিয়েশ্বন স্বত্বাধিকাৰী ৰাজীৱ বৰা, জিআৰডি ফাৰ্মাচিউটিকেলছৰ স্বত্বাধিকাৰী ঘনশ্যাম ধনুকা প্ৰত্যক্ষভাৱে জড়িত হৈ ৰাজহুৱা ধন আত্মসাত কৰিছে।অকল পিপিই কিটেই নহয়, ক'ভিডৰ সময়ছোৱাত ছেনিটাইজাৰ যোগানৰ নামতো ভয়ংকৰ কেলেংকাৰি সংঘটিত হৈছিল। সেই সময়ছোৱাত ৩৭ কোটি ছেনিটাইজাৰ ২৩১ টকাত যোগান ধৰিবলৈ ঘনশ্যাম ধনুকাৰ প্ৰতিষ্ঠানক ঠিকা দিয়া হৈছিল। সেয়ে আজি প্ৰতিবাদৰ জৰিয়তে সমগ্ৰ ঘটনাৰ উচিত তদন্তৰ দাবী কৰিছোঁ। উল্লেখ্য, আপৰ ৰাষ্ট্ৰীয় নেতা তথা দিল্লীৰ উপ মুখ্যমন্ত্ৰী মনিষ শিশোদিয়ায়ো ৰাষ্ট্ৰীয় সংবাদ মাধ্যমযোগে উক্ত কেলেংকাৰিৰ তদন্ত দাবী তুলিছে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়ৰ সাফল্য

ৰঙিলী বাৰ্তাসেৱা- সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত মহানগৰীৰ দাঁতালপাৰাস্থিত দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়ে ১০০ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখি এইবছৰো বিদ্যালয়খনে পূৰ্বৰ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মুঠ ৩৭ জন পৰীক্ষাৰ্থীৰ ৩০জনে প্ৰথম বিভাগত, ৭ জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। আনহাতে ৮ জনে ডিষ্টিংচন আৰু ৭ জনে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰ ছাত্ৰীয়ে লাভ কৰা মুঠ লেটাৰ নম্বৰৰ সংখ্যা ৮৬। উল্লেখ্য, বিদ্যালয়খনে গণিত, উচ্চ গণিত আৰু কম্পিউটাৰ বিজ্ঞানত সৰ্বোচ্চ ১০০ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। আন আন বিষয়ৰ সৰ্বোচ্চ নম্বৰ সমূহ হ'ল-অসমীয়াত ৯৪, ইংৰাজীত ৯৪, বিজ্ঞানত ৯৬, সমাজ বিজ্ঞানত ৯৮, সংগীতত ৯৭ আৰু চাৰু কলাত ৮০। বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই অনাত অধ্যক্ষ ৰমেশ চন্দ্ৰ শৰ্মাই ছাত্ৰ ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

# কলাক্ষেত্ৰত নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয়-বিনিময় অভিযানৰ কৰ্মশালা

ৰঙিলী বাৰ্তাসেৱা- শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযানৰ প্ৰথম পৰ্যায়ৰ চতুৰ্থ কৰ্মশালাখনি আজি পুৱাৰ ভাগত যোগ প্ৰশিক্ষণেৰে ষষ্ঠ দিনাৰ কৰ্মশালা অনুষ্ঠিত হয়।যোগ গুৰুকুল অসমৰ ডাঃ হিমাংশু বুজৰবৰুৱাৰ তত্বাৱধানত যোগাসনৰ প্ৰশিক্ষণ দিয়ে। দ্বিতীয় সত্ৰত জনগোষ্ঠী অনুযায়ী ভোৰতাল, সত্ৰীয়া নৃত্য আৰু জনগোষ্ঠীয় সংস্কৃতিৰ আভাস প্ৰশিক্ষাৰ্থীসকলক প্ৰদান কৰা হয়। কলাক্ষেত্ৰৰ ডঃ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত এক বৌদ্ধিক আলোচনা সত্ৰত বক্তৃতা প্ৰদান কৰে উত্তৰ পূৰ্বৰ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰচাৰক শংকৰ দাসে।সম্বৰ্ধনা জনাই কলাক্ষেত্ৰ সমাজৰ উপ সভাপতি জিতুল সোণোৱালে।সুবক্তা তীৰ্থাংকৰ দাস কলিতাই বক্তৃতাৰ সামৰণিৰ পাছত প্ৰশ্নোত্তৰ শিতানত প্ৰতিটো জনগোষ্ঠীৰ প্ৰশিক্ষাৰ্থী আৰু প্ৰশিক্ষকসকলে বক্তৃতাৰ বিষয় সম্পৰ্কত বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপন কৰে আৰু বক্তাজনে তেওঁলোকৰ প্ৰশ্নৰ সঠিক উত্তৰ প্ৰদান কৰে।

# অৱশেষত জন্তুৰ বাবে ভাৰতৰ প্ৰথম ঘৰুৱা ক'ভিড ভেকছিন মুকলি

ৰঙিলী বাৰ্তাসেৱা- অৱশেষত জন্তুৰ বাবে ভাৰতৰ প্ৰথম ক'ভিড ভেকছিন মুকলি কৰা হৈছে। কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং তোমাৰে জন্তুৰ বাবে ভাৰতৰ প্ৰথম ঘৰুৱা ক'ভিড-১৯ ভেকছিন মুকলি কৰিছে। হাৰিয়ানা স্থিত ভাৰতীয় কৃষি গৱেষণা পৰিষদ-ৰাষ্ট্ৰীয় গৱেষণা কেন্দ্ৰই ইকুইনৰ ওপৰত বিকশিত কৰা, এনোকোভা' হৈছে জীৱ-জন্তুৰ বাবে এক নিষ্ক্ৰিয় এছএআৰএছ-চিঅ'ভি-২ ডেল্টা ভেকছিন। জন্তুৰ বাবে ভেকছিন আৰু ডায়গনষ্টিক কিটৰ ভাৰ্চুৱেল মুকলিৰ পিছত কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং তোমাৰে কয়, "বিজ্ঞানীসকলৰ অক্লান্ত অৱদানৰ বাবেই দেশখনে আমদানি কৰাৰ সলনি নিজৰ ভেকছিন বিকশিত কৰাত আত্মনিৰ্ভৰশীল হৈ আছে।এইটো সঁচাকৈয়ে এটা ডাঙৰ সাফল্য,"। ভাৰতীয় কৃষি গৱেষণা পৰিষদে এক বিবৃতিত কয় যে, এনোকোভা'-প্ৰেৰিত ৰোগ প্ৰতিৰোধ ক্ষমতাই কৰ'না ভাইৰাছৰ ডেল্টা আৰু অমাইক্ৰন দুয়োটা প্ৰকাৰক নিষ্ক্ৰিয় কৰে। ভেকছিনটোত নিষ্ক্ৰিয় এছএআৰএছ-চিওভি-২(ডেল্টা) এণ্টিজেন থাকে। ই এলহাইড্ৰগেলক এডজুভেণ্ট হিচাপে ব্যৱহাৰ কৰে আৰু কুকুৰ, নাহৰফুটুকী বাঘ, সিংহ, নিগনি আৰু খৰগোশৰ বাবে সুৰক্ষিত।" উল্লেখযোগ্য যে, জন্তুবোৰে, বিশেষকৈ পোহনীয়া জন্তুবোৰে কোভিড-১৯ সংক্ৰমিত হ'ব পাৰে নেকি প্ৰাৰম্ভিক অধ্যয়নবোৰে সঠিকভাৱে ভৱিষ্যতবাণী কৰিব নোৱাৰিলে।অধ্যয়নত দেখা গৈছে যে পোহনীয়া জন্তুবোৰে ঘনিষ্ঠ সম্পৰ্কৰ জৰিয়তে তেওঁলোকৰ মালিকৰ পৰা ভাইৰাছটো সংক্ৰমিত কৰিব পাৰে। কিন্তু মানুহে তেওঁলোকৰ পোহনীয়া জন্তুৰ পৰা ক'ভিড-১৯ প্ৰাপ্ত কৰিব পাৰে বুলি কোনো প্ৰমাণ নাই।

# তেজপুৰত অনুষ্ঠিত

আৰু ঢকুৱাখানা। এই দলঙৰ ফলত পূৰ্বৰ ৭১ কিলোমিটাৰ দূৰত্ব দলং নিৰ্মাণ হ'লে মাত্ৰ ২৩ কিলোমিটালৈ হ্ৰাস হব।বটদ্ৰৱা প্ৰকল্পৰ কাম তীব্ৰ গতিত চলিছে। দ্বিতীয় প্ৰকল্পত অনুমোদন কেবিনেটৰ। ১০৮ কোটি টকা ব্যয় কৰিব অসম চৰকাৰে। লাচিত বৰফুকনৰ সমাধিক লৈ কেবিনেটত সিদ্ধান্ত। ১৪৯ কোটিৰ পুঁজিত অনুমোদন চৰকাৰৰ। লাচিত বৰফুকনৰ প্ৰতিমাও স্থাপন হ'ব। ১৫০ ফুট দৈৰ্ঘ্যৰ প্ৰতিমা স্থাপন কৰিব চৰকাৰে। চাহ বাগিচা অঞ্চলৰ অব্যৱহৃত মাটিত খেতি কৰিব পাৰিব।জালুক বা আন খেতিৰ অনুমতি প্ৰদান কৰা হ'ব। পুখুৰী খান্দিব পাৰিব, বহুৱাৰ পাৰিব ছলাৰ পাৰাৰ। বাগিচাৰ শ্ৰমিকৰ বাবে দক্ষতা বিকাশৰ কাম কৰিব পাৰিব। শক্তি বিভাগক লৈ কেবিনেটত সিদ্ধান্ত। ৮,৭২৭ কোটি টকাত অনুমোদন। দুৰ্ঘটনা হ্ৰাস কৰাৰ ব্যৱস্থা কৰিব শক্তি বিভাগে। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এই পি ডি চি এলে ৰূপায়ণ কৰিব আঁচনি। ৫ হাজাৰ কোটি টকাৰে ৰাজ্যত নিৰ্মাণ হ'ব বৃহৎ সৌৰ শক্তি প্ৰকল্প, উৎপাদন কৰা হ'ব ১০০০ মেগাৱাট বিদ্যুৎ। মিছ্ন সম্ভাৱনাৰ অধীনত ডাঙৰ পদক্ষেপ মাটি আবণ্টনৰ ১,০৩৭ টা প্ৰস্তাৱত কেবিনেটৰ অনুমোদন। মৰা ভৰলু নৈ নতুনকৈ খান্দি ইয়াক ন ৰূপ দিয়াৰ বাবে এই কেবিনেটে ১৫ কোটি টকাৰ অনুমোদন দিয়ে।

# এগৰাকী মাতৃয়ে জন্মৰ ৩ বছৰৰ পিছতহে দেখিলে নিজ সন্তানৰ মুখ

ৰঙিলী বাৰ্ত্তাসেৱা- চিনেমাৰ কাহিনী যেন লাগিলেও কিন্তু এইখন অসমৰে এক সঁচা ঘটনা পোহৰলৈ আহিছে। এগৰাকী মাতৃয়ে জন্মৰ, বছৰ পিছতহে দেখিলে নিজ সন্তানৰ মুখ।বৰপেটা মেডিকেল কলেজ হাস্পতাল কৰ্তৃপক্ষৰ ভুলৰ বাবেই এক অবাঞ্চিত পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'ল এটি কণমানি শিশু। হাস্পতালৰ ভুলৰ বাবেই জন্মৰ পিছৰ পৰা ৩ বছৰে যাৰ কোলাত ডাঙৰ দীঘল হ'ল সেই শিশুটোৱে আজি সেই পিতৃ-মাতৃৰ পৰিৱৰ্তে আন এক অচিনাকি তথা প্ৰকৃত পিতৃ-মাতৃৰ সৈতে যাবলৈ বাধ্য হৈ পৰিল।বৰপেটাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে এক ৰায় যোগে এগৰাকী মহিলাক জন্মৰত বছৰ পিছত মৃত সন্তানৰ পৰিৱৰ্তে ওভোতাই দিলে পুত্ৰ সন্তান। ঘটনা সন্দৰ্ভত জানিব পৰা



অনুসৰি, ২০১৯ চনৰ ৩মে'ত বৰপেটাৰ নাজমা খানমা নামৰ এগৰাকী গৰ্ভৱতী মহিলাই বৰপেটা মেডিকেল কলেজ হাস্পতালত জন্ম দিছিল এটি পুত্ৰ সন্তান। সুস্থ অৱস্থাত জন্ম পোৱা শিশুটো শিশুসকলক ৰখা কোঠাত থকাৰ পিচতে হাস্পতাল কৰ্তৃপক্ষই পিচদিনাখন শিশুটোৰ মৃত্যু হোৱা বুলি পিতৃক জনায়।ইয়াৰ পিচতে বলপূৰ্বকভাৱে শিশুটোৰ মৃতদেহ হাস্পতালৰ কৰ্তপক্ষই পিতৃৰ হাতত গটাই দিয়ে। কিন্তু দম্পতীহালে সুস্থ অৱস্থাত থকা তেওঁলোকৰ পুত্ৰ সন্তানটো কোনোপধ্যে মৃত্যু হ'ব নোৱাৰে বুলি হাস্পতাল কৰ্তৃপক্ষক পতীয়ন নিয়াব বিচাৰে যদিও হাস্পতাল কৰ্তৃপক্ষই দম্পতীহালৰ কথাত গুৰুত্ব নিদিলে। ফলত দম্পতিহালে বৰপেটা সদৰ থানাত ঘটনাটোক লৈ গোচৰ ৰুজু কৰি সমগ্ৰ ঘটনাৰ তদন্ত দাবী কৰে। অৱশেষত আদালতত উন্মোচিত হ'ল ঘটনাৰ প্ৰকৃত ৰহস্য।আদালতে জনালে দুগৰাকী মাতৃৰ নামৰ সাদৃশ্যৰ বাবেই এনেদৰে এটা সন্তানে নিজ মাতৃৰ বুকুৰ উমৰ পৰা বঞ্চিত হ'বলগা হ'ল। ইয়াৰ পিছতে, বছৰৰ পিচত বৰপেটাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে DNA পৰীক্ষাৰ প্ৰতিবেদন অনুসৰি নাজমা খানম নামৰ মাতৃগৰাকীৰ হাতত গোসাইগাঁৱত আন এগৰাকী মাতৃৰ কোলাত ডাঙৰ দীঘল হোৱা ৩ বছৰীয়া সন্তানটো তুলি দিলে।

# পৰীক্ষাত অনুত্তীৰ্ণসকলক হতাশ নহৈ পুনৰ চেষ্টা কৰিবলৈ শিক্ষা মন্ত্ৰীৰ পৰামৰ্শ

ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ সকলোলৈকে শুভেচ্ছা দিয়াৰ লগতে উত্তীৰ্ণ নোহোৱাসকলক পুনৰ চেষ্টা কৰিব লাগিব বুলি মন্তব্য কৰে।ফলাফল ঘোষণা কৰাৰ পিছতেই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে, "চৰকাৰী বিদ্যালয়ৰ উত্তীৰ্ণ হাৰৰ সংখ্যাটো কমিছে। ইয়াৰ বাবে আমি অধ্যয়ন কৰিব লাগিব। ইংৰাজী মাধ্যমৰ স্কুলসমূহৰ ফলাফল কিছু ভাল।চৰকাৰী বিদ্যালয়ত শিক্ষক, আন্তঃগাঁথনিৰ কিছু গেপ আছে। ইয়াক দূৰ কৰাৰ বাবে চিন্তা কৰা হৈছে। উত্তীৰ্ণৰ হাৰ এইবাৰ কম হোৱাটো অৱধাৰিত। কিয়নো ক'ভিডৰ প্ৰভাৱ শিক্ষাৰ ওপৰত পৰিছে।" চিৰাং, কাছাৰ, কাৰ্বি আংলঙকে ধৰি কেইখনমান



জনজাতীয় জিলাত ফলাফলটো বেয়া হোৱাৰ লগতে চাহ বাগান অঞ্চল সমূহতো শিক্ষা বহু পিছ পৰি আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষা এনেদৰে অনুষ্ঠিত হৈ থাকিব আৰু ১০ টা স্থানও থাকিব বুলিও শিক্ষা মন্ত্ৰী গৰাকীয়ে কয়। আনহাতে হাইমাদ্ৰাছা পৰীক্ষাৰ কথা উল্লেখ কৰি শিক্ষামন্ত্ৰী গৰাকীয়ে কয়, হাইমাদ্ৰাছাৰ এইটো শেষ পৰীক্ষা। ফলাফল ভাল কৰি ডাক্তৰ ইঞ্জিনিয়াৰ হ'ব বিচৰাসকলৰ বাবে ভাল কথা।

# মালিগাঁৱত 'জোনাকী মেলৰ জোনাক'

ৰঙিলী বাৰ্ত্তাসেৱা- অসম সাহিত্য সভাৰ শাখা শৰাইঘাট সাহিত্য সমাজৰ উদ্যোগত মালিগাঁৱৰ ৰাজহুৱা নামঘৰ, বিজি কলনীত গীতিকবি পাৰ্বতী প্ৰসাদৰ সোঁৱৰণত 'জোনাকী মেলৰ জোনাক' আয়োজন কৰি মনৰ জোনাক বিলোৱাৰ প্ৰয়াস কৰে। শাখাৰ স্থায়ী সভাপতি উমেশ কৰে পৌৰোহিত্য কৰা সভাত সাহিত্যিক পেন্সনাৰ বিৰজা দেৱীয়ে পৰিচালনা কৰে। মেলৰ আহ্বায়ক অতুল মজুমদাৰে আদৰণি ভাষণ দিয়া অনুষ্ঠানত শৰাইঘাটৰ সম্পাদক ৰাজু ৰয়ে শাখাটোৰ সোণালী জয়ন্তী বৰ্ষৰ দুৱাৰ মুখত বৈ 'জোনাকী মেল'ৰ




লেখীয়া ব্যতিক্ৰম অনুষ্ঠান আয়োজন কৰাৰ পৰিকল্পনাৰ ৰেঙণি প্ৰকাশ কৰে। অতিথি মেলুৱৈ, ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰথম গৰাকী মহিলা, কণ্ঠসংগীত শিল্পী ৰেণু দত্ত বৰফুকনে সৰুতে পাৰ্বতী প্ৰসাদক ওচৰৰ পৰা দেখাৰ স্মৃতি ৰোমন্থন কৰে। নিৰ্দিষ্ট মেলুৱৈ কল্পনা কুমাৰী দাসে অসমৰ কাব্য সাহিত্যত গীতিকবি পাৰ্বতী প্ৰসাদৰ ব্যতিক্ৰম চিন্তাৰ বিভিন্ন দিশত তথ্য সমৃদ্ধ আলোকপাতেৰে জোনাকী মেলৰ মৰ্যদা বৃদ্ধি কৰে। জোনাকী মেলত বিনু বৰা, ঊষা দাস বৰা, তৰুলতা মালাকৰ, প্ৰমোদা মালী, হীৰা দাস আদি শিল্পীয়ে একক আৰু সমবেত কণ্ঠেৰে পাৰ্বতী প্ৰসাদৰ গীত পৰিৱেশন কৰে। শিল্পী মুকুল কুমাৰ দাসে গীত পৰিৱেশন কৰি জীপাল কৰি তোলে। স্বেচ্ছাসেৱী সংগঠন 'সেৱা'ৰ হৈ ৰূপজ্যোতি দত্তই মেলুৱৈৰ মাজত গছপুলি বিতৰণ কৰে। শলাগৰ শৰাই আগবঢ়াই সদস্য দীপক কুমাৰ বৰাই।

# অসমত আলফাৰ কূটাঘাতৰ পৰিকল্পনা

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে নিষিদ্ধ ইউনাইটেড লিবাৰেচন ফ্ৰণ্ট অৱ আছাম (আলফা স্বাঃ)ৰ সন্দৰ্ভত এক সতৰ্কবাণী জাৰি কৰিছে। ৰাজ্যত শেহতীয়াকৈ বৃদ্ধি পোৱা আলফা(স্বা)ৰ সাংগঠনিক আৰু সামৰিক সক্ৰিয়তাক লৈ চিন্তিত হৈ পৰিছে কেন্দ্ৰীয় চৰকাৰ। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে সতৰ্ক কৰি দিছে যে আলফা(স্বা)য়ে অসমত অসামৰিক লোক, নিৰাপত্তা বাহিনীৰ ওপৰত আক্ৰমণ কৰাৰ পৰিকল্পনা কৰিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যম ইণ্ডিয়া টুডেৰ বাতৰি অনুসৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে চোৰাংচোৱা সংস্থাৰ পৰা লাভ কৰিছে তথ্য। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে লাভ কৰা তথ্য অনুসৰি আলফা(স্বা)য়ে অসমত অসামৰিক লোক, নিৰাপত্তা বাহিনীৰ ওপৰত আক্ৰমণৰ ব্লু প্ৰিন্টচ ৰচনা কৰিছে। যুদ্ধ বিৰতিৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰে গ্ৰহণ কৰা শিথিলতাৰ সুযোগ লৈ আলফাই পুনৰ কূটাঘাতৰ পৰিকল্পনা কৰিছে। বিগতকেইটামান মাহত অসমৰ বহু যুৱক-যুৱতী আলফা(স্বা)ত যোগদান কৰিছে।যাক লৈ উদ্বিগ্ন কেন্দ্ৰীয় চৰকাৰ। ইয়াৰ পাছতেই কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে সতৰ্কতা কৰি দিয়াৰ লগতে এন আই এক তদন্তৰ নিৰ্দেশ দিছে।

# কলাক্ষেত্ৰত নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয়-বিনিময় অভিযানৰ কৰ্মশালা

ৰঙিলী বাৰ্ত্তাসেৱা- শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰাংগণত অনুষ্ঠিত হোৱা অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযানৰ প্ৰথম পৰ্যায়ৰ চতুৰ্থ কৰ্মশালাৰ ১৫ দিনীয় কাৰ্যসূচীৰ দ্বিতীয় দিনা তথা পুৱৰ ভাগত সমূহ প্ৰশিক্ষাৰ্থীৰ যোগাসন-প্ৰাণায়মৰ প্ৰশিক্ষণেৰে আৰম্ভ কৰা হয়। এইবাৰৰ কৰ্মশালাত কোচ, ৰাভা, দেউৰী আৰু মৰাণ জনগোষ্ঠীৰ প্ৰায় ১২০ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়ে নাৰায়ণ চন্দ্ৰ কলিতাই। পৰৱৰ্তী সত্ৰত জনগোষ্ঠী অনুযায়ী ভোৰতালৰ প্ৰশিক্ষণ প্ৰদান কৰে -ধন কুমাৰ বিষয়া আৰু তেওঁৰ সংগীবৃন্দই। জনগোষ্ঠীয় সংস্কৃতিৰ প্ৰশিক্ষণ প্ৰদান কৰে- উষা পি কোচ, বীৰেন ৰাভা, গুৰেশ্বৰ দেউৰী আৰু জিতু গোস্বামীৰ লগতে কেইবাজনো সমল ব্যক্তিয়ে। কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত 'অসমৰ জনগোষ্ঠীয় প্ৰমূল্যৰ বৈচিত্ৰ্যময় পৰম্পৰা আৰু ৰাষ্ট্ৰীয় একাত্মতাবোধ' শীৰ্ষক এক বৌদ্ধিক আলোচনা সত্ৰত বক্তৃতা প্ৰদান কৰে শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। সম্বৰ্ধনা জনাই কলাক্ষেত্ৰ সমাজৰ উপ সভাপতি জিতুল সোণোৱালে। অনুষ্ঠানত উপস্থিত থাকে কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে।বক্তৃতাৰ সামৰণিৰ পাছত প্ৰশ্নোত্তৰ শিতান প্ৰশিক্ষাৰ্থীসকলৰ কেইবাজনো প্ৰশিক্ষাৰ্থীয়ে বক্তৃতাৰ বিষয় সম্পৰ্কত বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপন কৰে আৰু বক্তাজনে তেওঁলোকৰ প্ৰশ্নৰ সঠিক উত্তৰ প্ৰদান কৰে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত আমবাৰী শিশু নিকেতনৰ এশ শতাংশ উত্তীৰ্ণ

ৰঙিলী বাৰ্ত্তাসেৱা- সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত আমবাৰী, দাঁতালপাৰাৰ শংকৰদেৱ শিশু নিকেতনৰ এশ শতাংশ উত্তীৰ্ণৰ ধাৰাবাহিকতা অটুট ৰাখি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিকেতনৰ পৰা ৪২ জন ছাত্ৰ ছাত্ৰী অৱতীৰ্ণ হৈছিল। তাৰ ভিতৰত ৮ জনে ডিষ্টিংচন, ৫ জনে ষ্টাৰ, ২৪ জনে প্ৰথম বিভাগ, ১৭ জনে দ্বিতীয় বিভাগ আৰু এজনে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। মুঠ ৮ৰটা লেটাৰ মাৰ্ক পাবলৈ সক্ষম হৈছে। নিকেতনৰ ছাত্ৰ বুবুল নাথে উচ্চ গণিত আৰু সাধাৰণ গণিতত ১০০শতাংশ, মৃদুস্মিতা মিশ্ৰ ই উচ্চ গণিত আৰু সাধাৰণ গণিতত ১০০ শতাংশ আৰু শান্তনা ৰায়ে উচ্চ গণিতত ১০০ শতাংশ পাই গৌৰৱ কঢ়িয়াই আনিছে। বুবুল নাথে সৰ্বোচ্চ ৯৫ শতাংশ লাভ কৰে।

# অসমলৈ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ সঘনাই ভ্ৰমণে গুৰুত্ব বঢ়াইছে উত্তৰ-পূৰ্বাঞ্চলৰ

**গোপাল জালান, গুৱাহাটী**




বিগত তিনিমাহত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চললৈ আহিল ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ডোনাৰ কেবিনেট মন্ত্ৰী জি কিষান ৰেড্ডী, ৰাজ্যিক মন্ত্ৰী বি এল বাৰ্মাৰ পৰা আৰম্ভ কৰি কেবাজনো কেন্দ্ৰীয় মন্ত্ৰী। এইসকলে কেৱল অসম ভ্ৰমণলৈ আহিয়ে নিশা ৰাজ্যখনত কটাইছে। শেহতীয়াভাৱে অসমলৈ কেন্দ্ৰীয় মন্ত্ৰীসকলৰ লগতে ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰী অহাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। কাৰণ বিগত সময়ছোৱাত কেন্দ্ৰই উপলব্ধি কৰিছে যে ভৱিষ্যতে দেশৰ উন্নয়নৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলে বিশেষ ভূমিকা গ্ৰহণ কৰিব। উত্তৰ-পূৰ্বাঞ্চলত লুকাই থকা প্ৰচুৰ সম্ভাৱনাক কেন্দ্ৰই উপযুক্ত ব্যৱহাৰেৰে দেশৰ উন্নয়নৰ বাবে চেষ্টা অব্যাহত ৰাখিছে।

এটা দশক পূৰ্বে অসমলৈ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ কথা বাদেই- কেন্দ্ৰীয় মন্ত্ৰীৰ আগমনেই আছিল সীমিত। বছৰত দুই-এজন কেবিনেট মন্ত্ৰী অসমলৈ অহাটোৱে আছিল বৃহৎ সাফল্য। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক ইমান দিনে গুৰুত্ব নিদিয়াৰ বাবেই বিশেষ উন্নতি হোৱা নাছিল। অসমৰ সম্ভাৱনাকো গুৰুত্ব দিয়া নাছিল বুলিয়েই ক'ব লাগিব। কেন্দ্ৰৰ অৱহেলাৰ বাবেই বিগত সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ যিমান বিকাশ হ'ব লাগিছিল তাৰ অৰ্ধেকো নহ'ল। পিছে বিজেপি চৰকাৰ, বিশেষকৈ নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰূপে শপতগ্ৰহণৰ পাছৰে পৰাই উত্তৰ-পূৰ্বাঞ্চলে বিশেষ গুৰুত্ব লাভ কৰিবলৈ ধৰিলে। এতিয়া বছৰৰ কথা বাদেই- প্ৰতিমাহতে কোনো নহয় কোনো এজন মন্ত্ৰী আহেই। আটাইতকৈ ডাঙৰ কথা হ'ল কিছুমান মন্ত্ৰী আহে- যিসকলে গুৱাহাটী মহানগৰীত উপস্থিত নোহোৱাকৈ বিভিন্ন জিলাৰ ভিতৰুৱা অঞ্চললৈ যায়। এইবোৰ অঞ্চলৰ উন্নয়ন তথা আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বিষয়ে খতিয়ান লৈ সেইবোৰ কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিব লাগে। প্ৰধানমন্ত্ৰী মোদীক এইবোৰ কামৰ অগ্ৰগতি সম্পৰ্কে ৰিপ'ৰ্ট দিব লাগে। এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই প্ৰধানমন্ত্ৰীয়ে পৰৱৰ্তী আঁচনি ৰূপায়ণৰ ৰূপৰেখা তৈয়াৰ কৰে। এতিয়া কেন্দ্ৰই অসমক ইমান গুৰুত্ব দিয়াৰ আঁৰত হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক কেন্দ্ৰৰূপে পৰিচিত ফাঁচীবজাৰৰ পৰা আৰম্ভ কৰি শুকান মাছ, বিভিন্নধৰণৰ খাদ্য-শস্য তথা কুটীৰ উদ্যোগত প্ৰস্তুত কৰা সামগ্ৰীসমূহ। কাৰণ এইবোৰৰ জৰিয়তে দেশ এখনে অৰ্থনৈতিক ক্ষেত্ৰত কিছুপৰিমাণে হ'লেও আগুৱাই যাব পাৰে। ৰাজহ সংগ্ৰহৰো অন্যতম উৎস হৈ পৰিছে।

ৰাজনৈতিক নেতাৰ লগতে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আদিয়ে অসমলৈ আহি কেৱল গুৱাহাটীতে সীমাবদ্ধ নাথাকি কাৰ্বিআংলঙৰ পৰা আৰম্ভ কৰি শদিয়া, বাক্সা আদিলৈ ঢাপলি মেলিছে। তেওঁলোকে ভালদৰে উপলব্ধি কৰিছে যে এতিয়া হিন্দী-বলয়ত ৰাজনীতি কৰাতকৈ যদি অসমক কেন্দ্ৰ কৰি উত্তৰ-পূৰ্বাঞ্চলত জালখন শক্তিশালী কৰিব পাৰি তেনেহ'লে দলৰ লাভ হ'ব অধিক। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজে উপলব্ধি কৰিব পাৰিব দিল্লী আৰু অসমৰ মাজত পূৰ্বে থকা বৃহৎ ব্যৱধান হ্ৰাস পাবলৈ ধৰিছে। আগতে কেন্দ্ৰই অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক মাহীআইৰ দৃষ্টিৰে চোৱা বুলি অভিযোগ উত্থাপিত হৈছিল। তদুপৰি কেন্দ্ৰয়ো উত্তৰ-পূৰ্বাঞ্চলক জংঘলী অঞ্চল বুলি গণ্য কৰিছিল। এই অঞ্চলটোৰ লোকসকলৰ মানসিকতাৰ পৰিৱৰ্তন নহ'ব বুলি ভাবিয়েই কোনোদিনে গুৰুত্ব প্ৰদান কৰা নাছিল। তদুপৰি অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ শক্তিশালী নেতা-সাংসদৰ অভাৱ হোৱাৰ বাবেও কেন্দ্ৰই গুৰুত্ব দিয়া নাছিল। এতিয়া পিছে ছবিখন সলনি হ'ল। অসমৰ সাংসদে বহি নাথাকি। মাত মাতে। আগতে ভাষাৰ ক্ষেত্ৰত সমস্যা হৈছিল। বহুতো সাংসদে সংসদৰ মজিয়াত এটাও শব্দ উচ্চাৰণ কৰা নাছিল। নিমাতী কইনাৰ দৰে সংসদৰ আসনত বহি সময় কটাইছিল। আনকি কিছুমান যে অসমৰ সাংসদ হৈছে সেয়া ৰাজ্যবাসীয়ে নিৰ্বাচনৰ সময়তহে জানিব পাৰিছিল। এনে দৃশ্য সলনি হ'ল। সংসদত অসমৰ সমস্যা সমাধানৰ বাবে মাত মতা হ'ল। তদুপৰি প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আদিয়েও অসমৰ নেতাৰ ওপৰত বিশ্বাস কৰিবলৈ ধৰিলে। এনে বিশ্বাসৰ ফলতে এতিয়া অসমৰ দুজন সাংসদে একেলগে মন্ত্ৰী হ'ব পাৰিছে। প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰীৰ স'তে একেটা শাৰীত বহি কথা পাতিব পাৰিছে। আগতে অসমৰ সাংসদে প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰিবলৈ হ'লে দিল্লীত এসপ্তাহ পৰ্যন্ত বাহৰ পাতিব লাগিছিল। ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰাটো আছিল প্ৰায় অসম্ভৱ। গৃহমন্ত্ৰী বা বিত্তমন্ত্ৰীৰে অসমৰ সাংসদে আলোচনা কৰাটো দূৰৰে কথা-কোনোদিনে লগ পোৱা নাছিল। এতিয়া পিছে কেন্দ্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ লগতে অসমক বিশেষ প্ৰাধান্য দিবলৈ বাধ্য হৈছে।

# প্ৰফেট মোহাম্মদ ছঃ আৰু মুছলমানৰ অনুভূতি

**ফখৰুদ্দিন আহমেদ**



প্ৰফেট মোহাম্মদ ছঃক বি জে পিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ নুপুৰ শৰ্মা আৰু দিল্লীৰ বি জে পি নেতা নবীন জিন্দালে কৰা অবাঞ্চনীয় মন্তব্যই বিশ্বৰ লগতে ভাৰতবৰ্ষৰ মুছলমান সকলৰ ধৰ্মীয় আবেগত মোক্ষম আঘাত কৰিছে। ইয়াৰ প্ৰতিফলন ইতিমধ্যে বিভিন্ন মাধ্যম যোগে প্ৰচাৰিত হৈছে। এই ক্ষেত্ৰত ৰূপৰেখা জাতীয় ভাবে উল্লেখ কৰিবলৈ হ'লে বিগত কেই বছৰ মানৰ পৰা বিশেষে ভাবে বি জে পি, আৰ এছ এছ আৰু হিন্দুত্ববাদী কিছু সংখ্যক নেতাই মুকলিমুৰীয়া ভাবে ইছলাম ধৰ্ম, পবিত্ৰ কোৰান আৰু প্ৰফেট মোহাম্মদ ছঃ সম্পৰ্কে কটু আৰু বিস্ফোৰক মন্তব্য কৰি আহিছে। মন কৰিবলগা বিষয় হৈছে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত যিখন সংবিধান মৰ্মে দেশখন পৰিচালিত হৈ আহিছে সেই মৰ্মে ভাৰতবৰ্ষ গণতান্ত্ৰিক আৰু ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ। মুছলমান সকলক ধৰ্মীয় ভাবে আবেগত আঘাত কৰি অহা এনে নেতা সকল ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাৰ প্ৰধান শত্ৰু আৰু ভাৰতবৰ্ষৰ উন্নয়ণৰ মূল অন্তৰায় স্বৰূপ।

দ্বিতীয় বিশ্ব যুদ্ধৰ অনাহুত পৰিস্থিতিৰ সময়ত বিখ্যাত দাৰ্শনিক আৰু সাহিত্যক জৰ্জ বাৰ্ণাড শ্ব'ই মন্তব্য কৰিছিল যে বিশ্ব যুদ্ধৰ তেনে সময়ত প্ৰফেট মোহাম্মদ ছঃ জীবিত থাকিলে বিশ্ব যুদ্ধৰ সমস্যা তাৎকালিন ভাবে সমাধান হ'লহেতেন। ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ মূল হোতা, মহামানব আৰু জাতিৰ পিতা মহাত্মা গান্ধীৰ ওচৰত প্ৰফেট মোহাম্মদ ছঃ সম্পৰ্কত থকা সকলো গ্ৰন্থ শেষ হৈ যোৱাত আক্ষেপ কৰি লিখিছিল যে তেখেতৰ ওচৰত প্ৰফেট মোহাম্মদ ছঃ সম্পৰ্কত আৰু অনেক বেছি গ্ৰন্থ থকা হেতেন তেখেত সুখী হ'লহেতেন। এনে ধৰণে বিশ্বৰ মহা মনীষি সকলে প্ৰফেট মোহাম্মদ ছঃক অকাতৰে সন্মান প্ৰদৰ্শণ কৰাৰ পিছত নুপুৰ শৰ্মা বা নবীন জিন্দালৰ দৰে ব্যক্তিৰ বক্তব্য কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বৰঞ্চ তেওঁলোক গৰিহনাৰহে পাত্ৰ ।

বিশ্বৰ বিভিন্ন দেশ উন্নয়ণৰ দিশত পুৰ্বতকৈ ওপৰলৈ গতি কৰি থকাৰ সময়তে কিছুদিন পুৰ্বে বিভিন্ন সংবাদ মাধ্যম যোগে জানিব পৰা গৈছিল যে বিশ্ব বেংকৰ তালিকাত উন্নয়ণশীল দেশৰ তালিকাৰ পৰা অবনমিত হৈ ভাৰতবৰ্ষ দৰিদ্ৰ দেশৰ তালিকাত সোমাইছে।

মূল বিষয় আছিল ভাৰতবৰ্ষ উন্নয়ণশীল দেশৰ পৰা বিশ্ব বেংকৰ তালিকাত উন্নত দেশলৈ উন্নিত হ'ব লাগিছিল। এই কাৰ্য সমাধা হোৱাৰ বাবে বি জে পি দলৰ কৰ্মকৰ্তা সকলে কংগ্ৰেছ দলৰ সাত দশক যোৱা ভাৰতবৰ্ষ শাসনক দোষ দি থাকিলে নহ'ব। কংগ্ৰেছ দল দোষী বুলি কোৱাৰ পিছতো সদ্য মুহূৰ্তত ভাৰতবৰ্ষৰ শাসনৰ গাদী দখল কৰি থকা বি জে পি দলো কম দোষী নহয়। বিগত ইং ২০১৪ চনৰ পৰা কেন্দ্ৰত এই দলটি শাসনত আছে লগতে ভাৰতৰ বহু সংখ্যক ৰাজ্যতো এই দলটিয়ে শাসন কৰি আছে।

বিগত ইং ২০১৬ চনৰ পৰা প্ৰথমে সৰ্বানন্দ সোনোৱাল আৰু বৰ্তমান ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বি জেপি দলে দিছপুৰত শাসনৰ গাদীত আছে। বিভিন্ন কাৰ্য ক্ৰমণিকাত দেশ তথা ৰাজ্যৰ উন্নয়ণৰ বাবে বিভিন্ন আঁচনি ঘোষণা কৰিছে । তাৰে কিছু সংখ্যক কাৰ্যকৰী হৈছে কিন্তু বেছি সংখ্যকেই কাৰ্যকৰী নোহোৱাকৈ আছে। এনে ধৰণৰ পৰিস্থিতিৰ মাজতেই বি জে পি, আৰ এছ এছ আৰু হিন্দুত্ববাদী কিছু সংখ্যক নেতাই আৰম্ভ কৰিছে মুছলমান সকলক আবেগিক আৰু মানসিক ভাবে আঘাত কৰাৰ নিকৃষ্ট পন্থা। এওঁলোকৰ ভাষণবোৰত বিশেষকৈ যিবোৰ ভাষণ বিভিন্ন চ'চিয়েল মেডিয়াত প্ৰচাৰিত হৈ আছে, সেইবোৰৰ পৰা অনুভব কৰিব পৰা যায় যে বৰ্তমান ভাৰতবৰ্ষত হিন্দু অৰ্থাৎ সনাতন ধৰ্ম তথা সনাতনী সকলৰ সংকট নামি আহিছে। এই সংকটৰ পৰা এই ধৰ্মটোক উদ্ধাৰ কৰা পন্থা হিচাপে ইছলাম ধৰ্ম আৰু মুছলমান সকলক টাৰ্গেট কৰি লোৱা হৈছে।

ৰাষ্ট্ৰীয় মুখপাত্ৰ নুপুৰ শৰ্মা আৰু দিল্লীৰ বি জে পি নেতা নবীন জিন্দালে প্ৰফেট মোহাম্মদ ছঃৰ প্ৰতি কৰা অশালীন বক্তব্যত ভাৰত তথা বিশ্ব মুছলমান জাগি উঠিছে। বিশেষকৈ মধ্য প্ৰাচ্যৰ ইছলামিক দেশ সমূহৰ তীব্ৰ হেচাত বি জে পি দলে নুপুৰ শৰ্মা আৰু নবীন জিন্দালক দলৰ পৰা বহিষ্কাৰ কৰিছে আৰু ভাৰত চৰকাৰে ভাৰতবৰ্ষৰ ধৰ্ম নিৰপেক্ষতা সম্পৰ্কত বিশেষ ভাবে প্ৰচাৰ কৰিছে।

ইছলাম ধৰ্মৰ শেষ প্ৰচাৰক প্ৰফেট মোহাম্মদ ছঃৰ ওপৰত সমগ্ৰ বিশ্বৰ মুছলমান সকলৰ অগাধ আনুগত্য আৰু অনাবিল প্ৰেম আছে।এই অগাধ আনুগত্য আৰু অনাবিল প্ৰেমৰ গৰাকী প্ৰফেট মোহাম্মদ ছঃৰ ব্যক্তিত্বত আঘাত কৰা মানে বিশ্বৰ মুছলমানৰ ধৰ্মীয় আবেগ আৰু আনুগত্যত আঘাত কৰাৰ অন্য এটি নাম। এনে ক্ষেত্ৰত সমগ্ৰ বিশ্বৰ মুছলমানৰ সৈতে ভাৰতৰ মুছলমান জাগি উঠি প্ৰতিবাদ সাব্যস্ত কৰাটো অতি স্বাভাৱিক কথা। সেয়ে ভাৰতবৰ্ষৰ সামুহিক উন্নয়ণৰ স্বাৰ্থত জাতি, ধৰ্ম, সম্প্ৰদায় নিৰ্বিশেষে ভাৰতবৰ্ষৰ জাতীয় পতাকাৰ তলত থিয় হৈ

*(আঠপৃষ্ঠাত চাওক)*

# লণ্ডনলৈ তেজপুৰৰ

কেজি আৰু বুম্বায়া প্ৰজাতিৰ ১০০ কেজি অৰ্থাৎ ২৭, ০০০টা লিচু প্ৰেৰণ কৰা হয়। ৰপ্তানিৰ এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ সৈতে জড়িত হৈ আছে কে আই ই ডি এ এক্সিম্‌ছ নামৰ প্ৰতিষ্ঠানটোৰ লগতে নাবাৰ্ড, এপিডা, এপাৰ্ট, অসম কৃষি বিশ্ববিদ্যালয়, বিশ্বনাথ কৃষি মহাবিদ্যালয়, কৃষি বিজ্ঞান কেন্দ্ৰ তেজপুৰ, তেজপুৰ বিশ্ববিদ্যালয়, অসম চৰকাৰৰ কৃষি বিভাগ আৰু শোণিতপুৰ জিলা প্ৰশাসন। প্ৰণিধানযোগ্য যে ১৯২৪ চনত তদানীন্তন তেজপুৰ পৌৰপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাই চহৰখনত ৰোপণ কৰিছিল কেইটামান উন্নতজাতৰ বিশেষ লিচু পুলি। সেই লিচুৱে এতিয়া তেজপুৰৰ বাবে হৈ পৰিল গৌৰৱৰ কাৰণ। আনহাতে, কৃষি বিভাগে বিভিন্ন সংস্থাৰ সহযোগত মাকৈ খেতিৰ বাবেও আন এটা কোম্পানী গঠন কৰি বিদেশলৈ ৰপ্তানি কৰাৰ প্ৰয়াস কৰিছে। ইফালে মুখ্যমন্ত্ৰীয়ে তেজপুৰৰ লিচুৰ প্ৰসংগত কয় যে এই ফলবিধ সংৰক্ষণৰ প্ৰয়োজন আৰু ইয়াৰ বাবে এটা প্ৰছেছিং ইউনিটৰ দৰকাৰ। সেয়েহে লিচু খেতিয়কসকলৰ সহায় হ'ব পৰাকৈ তেজপুৰত এটা বিশেষ প্ৰকল্প স্থাপনৰ বাবেও চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব।

# গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গোচৰ খাৰিজ

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে ২০১৯ চনৰ লোকসভা নিৰ্বাচনত নিৰ্বাচনী বিধি উলংঘনৰ অভিযোগ তুলি নিৰ্বাচন আয়োগে দাখিল কৰা এটা গোচৰ গুৱাহাটী উচ্চ ন্যায়ালয়ে খাৰিজ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰুমী কুমাৰী ফুকনৰ বিচাৰপীঠে এক নিৰ্দেশযোগে এই গোচৰ খাৰিজ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুক্ত কৰে। নিৰ্বাচন আয়োগে দাখিল কৰা এই গোচৰৰ ভিত্তিত কামৰূপ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে মুখ্যমন্ত্ৰী ড° শৰ্মালৈ চমন জাৰি কৰি আদালতত হাজিৰ হ'বলৈ দিছিল। কিন্তু মুখ্যমন্ত্ৰী ড° শৰ্মা আদালতত হাজিৰ নোহোৱাত তেওঁৰ বিৰুদ্ধে জৰিমনা বিহিছিল। মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ উক্ত গোচৰৰ বিৰুদ্ধে মহাধিবক্তাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খৰচ হৈছিল। চি আৰ কেছ নং ১৮৪৩ ২০১৯ৰ গোচৰ সদৰ্ভত উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদন সন্দৰ্ভত শুনানি কৰি ন্যায়ালয়ে গুচৰীয়া পক্ষই মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে কোনোধৰণৰ নথি দাখিল কৰিব নোৱাৰাৰ বাবে গোচৰটো খাৰিজ কৰে।




# “এমুঠি সুখ”

হিমাদ্ৰী বৰকটকী, নগাঁও



কিমান আৰু সহিম এই যান্ত্ৰণা মই । নোৱাৰা হৈছো আৰু মই। সদায় সদায় মদ সোপা খায় আহি সি মোক মাৰধৰ কৰে। মোৰ মৰি যাবলৈ মন যায়। জীয়াই থাকিবলৈ মোৰ অকণো মন নাই। কিন্তু কি কৰিম মই? মৰিম বুলি ভাবিলেও মৰিব নোৱাৰোঁ। কেৱল ল'ৰা ছোৱালী হালৰ কাৰনে। সিহঁতৰ দোষ ক'ত ? সিহঁতে সদায় হাই - কাজিয়া, মাৰ - ধৰ দেখিয়েই থাকে।

লাজ পায় সিহঁতে ওচৰ চুবুৰীয়া আৰু স্কুলৰ ল'ৰা ছোৱালীৰ ওচৰত। কষ্ট কৰি মই সিহঁত দুটাক পঢ়োৱাইছো আৰু দুবেলা দুসাজ খুৱাইছো। মানুহটোৱে কাম কৰি পোৱা টকা কিটা সেই গেলা মদ সোপা খাওঁতেই শেষ কৰে। ঘৰখন কেনেকৈ জোৰা-টাপলি মাৰি চলাইছোঁ মইহে জানোঁ। তাতে আকৌ কেতিয়াবা গৃহস্থৰ ঘৰলৈ দেৰিকৈ কামলৈ গ'লে শুনিবলগীয়া হয় কটু কথা। খটি কৰিলেও খাব লাগে গালি। তথাপি এইবোৰ কথা আওকাণ কৰি পেটৰ পোৱালি কিটাৰ কাৰনে অহৰহ কাম কৰি থাকোঁ। মোৰ ও মন যায় সিহঁতক ভালকৈ ৰাখিবলৈ আৰু সকলো সুবিধা দিবলৈ, ভাল স্কুলত পঢ়োৱাবলৈ। কিন্তু আমাৰ নিচিনা মানুহৰ কাৰনে এইবোৰ সম্ভৱ হয় জানো? এদিন মই এই মানুহ জনৰ লগত পলাই আহিছিলোঁ দুয়ো গৈ কামাখ্যা মন্দিৰত বিয়া হৈছিলোঁগৈ। মানুহজনে মোক শিৰত সেন্দুৰ পিন্ধাই নিজৰ কৰি ললে। আমাৰ ঘৰৰ কাষৰ বৰমা হঁতৰ ঘৰত তেওঁ গাড়ী চলাইছিল। মই ও বৰমা হঁতৰ ঘৰত কাম কৰিছিলোঁ। তেনেকৈ দুয়ো লগ পায় ইজনে সিজনৰ প্ৰেমত পৰিলোঁ। আৰু এদিন বিবাহ পাশত আবদ্ধ হ'লো।

বিয়াৰ পাছত ভালেই আছিল তেওঁ। বিয়াৰ এবছৰৰ পিছত যঁজা ল'ৰা ছোৱালী এহালৰ জন্ম হ'ল। সুখেৰে আমাৰ সংসাৰ খন চলি আছিল। কিন্তু লাহে লাহে সংগ দোষত পৰি তেওঁ বেছিকৈ মদ খাবলৈ ল'লে। আৰু লাহে লাহে ঘৰত অশান্তিৰ সৃষ্টি হ'বলৈ ধৰিলে। এনেকৈয়ে দিনবোৰ চলিবলৈ ধৰিলে কিন্তু আজি মোৰ খুব ভাল লাগিছে কাৰন মোৰ ল'ৰা ছোৱালী হালে কলেজৰ দেওনা পাৰ কৰি চৰকাৰী খৰছত উচ্চ শিক্ষাৰ কাৰনে চৰকাৰে অসমৰ বাহিৰলৈ পঢ়িবলৈ পঠাইছে। মোৰ কাৰনে তাতোতকৈ আৰু ভাল খবৰ একো হ'ব নোৱাৰে । সঁচাই মই আজি গৌৰৱান্বিত। সিহঁতে মোৰ কষ্টৰ মূল্য বুজি পালে। এতিয়া মোৰ শাৰীৰিক আৰু মানসিক কষ্টবোৰ ইয়াৰ তুলনাত একেবাৰে নগন্য।

# গীটাৰত ওলমি থকা সোঁৱৰণী


পুলিন ডেকা,মালিগাঁও



নৈখনে পুতি পেলোৱা চকুহালত
বতাহজাকে কাপোৰ সলাইছে
নগ্ন উৰুত দুৰ্যোধনৰ আৱয়বিক ছাঁ পৰিছে
হঠাৎ অনুভৱ কৰিছো বোবা প্ৰেমৰ
হালধীয়া সপোনৰ মাদকতা
তথাপি তুমি আৰু মই ইমান অকলশৰীয়া!
ক'ৰবাত ডুবি থকা জীয়া গোন্ধ এটা বিয়পিছে
অৰণ্যৰ নিদান, মাজ নিশাৰ হুৰহুৰণি
টোপো টোপে সৰিছে
তথাপি আকোৰগোঁজ মৃত কঁপনিৰ নিদ্ৰাময় সময়
এদিন ৰ'দৰ ৰং পৰ্বতত মেলি দিছিল নৈখনে
সেই কঠিন উজ্জ্বলতা হেৰুওৱা দিনত
গীটাৰৰ তাঁৰত ওলমি আছিল
নীৰৱতাৰ অন্তিম সোঁৱৰণ
মই সন্মুখা-সন্মুখিকৈ আগবঢ়াই দিছিলোঁ
প্ৰেমৰ বিচ্ছেদিত সুৰ
গোপন আঁৰলত থকা এটা জীৱন
শেলুৱৈয়ে ছাটি ধৰা বিষাদৰ তৰোৱাল
গাভৰুৰ খোজত নৈখনে সাৰ পাইছে
জীৱন্ত কৰৰত বিৰিঙি উঠিছে কংকালৰ
প্ৰেমৰ পৰা এমুঠি তেজৰ বন্দনা
আৰু সোণ-বৰণীয়া কাঁইটৰ ধপধপনি
এয়া কি নিৰ্যাতিত ডাৱৰৰ
যন্ত্ৰণা নেকি ?

# মই বাৰু একেটা ভুলকেই আকৌ কিয় কৰিলো ?

নিখিলৰঞ্জন গোস্বামী, মৰিগাঁও




অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক, অৱসৰ প্ৰাপ্ত প্ৰশাসনিক বিষয়া মাননীয় থানেশ্বৰ মালাকৰ দেৱে এঠাইত লিখিছিল- স্মৃতি হ'ল মনৰ দাপোন, য'ত ভাস্বৰ হৈ উঠে আমি এৰি অহা কামবোৰ, খোজবোৰ, দিনবোৰ। তেখেতৰ এই উক্তি, মন্তব্য মোৰ মন মগজুত, মোৰ হৃদয়ত এনেকৈ থিতাপী লক্ষলে যে এই বাণীয়ে মোৰ মনত প্ৰায়েই ক্ৰিয়া কৰি থাকে, মোৰ কৰ্ম জীৱনৰ প্ৰেৰণাৰ প্ৰতীক।

মোৰ পূৰ্বৰ ভুল এটাৰ পুনৰাবৃত্তি হোৱাত মনত পৰিল চাকৰি জীৱনলৈ, এনে ভুল নকৰিবলৈ পৰামৰ্শ দিয়া এগৰাকী শুভাকাঙ্খী কৰ্নেল চাহাবলৈ। তেতিয়া ভই খায়, চিন্তাত বিভোৰ হৈ বিপদৰ পৰা ৰক্ষা পাবলৈ তেখেতৰ কথা বৰ স-সন্মানেৰে অতি আগ্ৰহেৰে গ্ৰহন কৰিলো কিন্তু দিনবাগৰাৰ লগে লগে, পুনৰ অনুৰূপ বিপদৰ আগমন নোহোৱাত সেই পৰামৰ্শ পাহৰি পেলালো, বিলীন হোৱাৰ উপক্ৰম হ'ল পাহৰনিৰ গৰ্ভত। কিন্তু অপ্ৰত্যাশিত ভাৱে, ভগৱানৰ কৃপাত যেন পুনৰ শ্ৰদ্ধা সহকাৰে ২১ বছৰৰ পিছত ৰোমন্থন কৰিবৰ বাধ্য হ'লো।

ৰোমন্থনৰ পুনৰাবৃত্তি কৰাৰ কাৰণ হ'ল- গাঁৱৰ অৱসৰ প্ৰাপ্ত এজন পুলিচৰ এচ . আই . আহি মোক সুধিলে-তই গাওঁবুঢ়াৰ পৰা ভোটাৰ লিষ্টখন আনিছিলি ? মই কলো অ' তেঁও কলে কাম যদি হ'ল মোক দেচোন? মই ক'লো লিষ্টখন মই ওঁগুৰি গাঁৱৰ ল'ৰা এটাই বিচাৰি অহাত দি পঠালো। মোৰ উত্তৰত সি ক'লে তই লৰাতো চিনি পাৱ জানো ? মই কলো চিনি নেপাঁও, দেখিলে চিনি পাম । সি কলে তই এইতো ডাঙৰ ভুল কৰিলি। যদি সি লিষ্টখন গাঁওবুঢ়াক জমা নিদিয়ে তই চোন বিপদত পৰিবি। মই মাথো ক'লো এৰা অ' কথাতো মই ভৱিবলৈকে নহ'ল । মই কলো তই যদি নেকি এতিয়া গাঁওবুঢ়াৰ ওচৰলৈ, সি ক'লে যাম। মই কলো মই অলপ পিছতে গৈ আছো।

এই নভবা-নিচিন্তাকৈ মূৰ্খৰ দৰে মই কৰা বিবেচনাহীন কাৰ্য পুনৰ নকৰাৰ এক প্ৰকাৰ সংকল্প লৈ চাকৰি কালৰ সময়ত পোৱা কৰ্নেল চাহাব আৰ . এ . এচ য়াৰ্দৱা চাহবৰলৈ মনত পেলাঁও । তেখেতে কৈছিল- আপুনি “On Good Faith” ত কাম কৰাৰ ফলত, লিখিত প্ৰমাণ নথকাত মই বিপদত পৰিব লগাত পৰিছো । আপোনাৰ কামতো শুদ্ধ কিন্তু নিয়মতো সঠিক নহ'ল । যিটোৰ দ্বাৰা মই নিজক সুৰক্ষা দিয়াৰ সৰল যুক্তি পাব পাৰো। উল্লেখ কৰা ভাল হ'ব তেখেত মোৰ প্ৰতি কোমল হ'ল আমাৰ Senior Staff শ্ৰদ্ধাৰ পিল্লে আৰু মোৰ বন্ধু শশীন্দ্ৰম নযোৰ.এম. (পিছলৈ কমিচন লৈ কামাণ্ডেণ্ট

(আঠপৃষ্ঠাত চাওক)

# প্ৰিতম চলিহা আৰু বৃদ্ধ মানুহজন

মাধুৰী শৰ্মা সভাপণ্ডিত



এংগ্ৰাছৰ নিমজ টিলাতোৰ সৰু মিউজিয়ামটোৰ বাহিৰৰ পুৰণি বেঞ্চ খনত বহি পৰিল প্ৰিতম চলিহা। বেঞ্চ খনত আৰু এজন মানুহ বহি আছিল। প্ৰথম দৰ্শণতে দেউতা-বৰ দেউতা যেন লগা মানুহজনৰ লগত তেওঁৰ কথা পাতিবৰ মন গ'ল।তেওঁ সুধি পেলালে-'আপুনি ক'ত থাকে?'

মই ইয়াৰ পৰা ২০ কিলো মিটাৰমান দূৰৰ এখন গাঁওত থাকো। ইয়ালৈ মাহেকে-পষেকে মই আহো। সৌৱে দেখিছে ৰঙা-গুলপীয়া-হালধীয়া গোলাপ, ক'লা-বগা আঙুৰ গছেৰে ভৰা ঘৰটো-সেইটোৱেই মোৰ ঘৰ আছিল। মোৰ পত্নী চাৰি বছৰ আগতে ঢুকাল। ল'ৰা দুটা দেশে-বিদেশে। ঘৰটো বিক্ৰি কৰি মই এতিয়া কেয়াৰ হমত।

মাজে মাজে ইয়ালৈ আহোঁ। ঘৰটোৰ মালিকজন বৰ সুন্দৰ মনৰ। মোৰ মৰমৰ পিয়ানোখন, কিতাপৰ আলমাৰীটো-ল'ৰা দুটাই সৰুতে খেলা ডল হাউচটো-মিটো চাই চাই মাকে সিহঁতৰ ল'ৰালি সুঁৱৰিছিল-মই তেওঁক দি গৈছিলো। তেওঁ বৰ আটোমটোকাৰিকৈ ৰাখিছে। তেওঁ মই আহিলেই আথেবেথে মই ভালপোৱা গীত বোৰ পিয়ানোত বজাই শুনাই। মোৰ বৰ ভাল লাগে। তেওঁৰ অৱসন্ন চকুজোৰ কিয় জানো চলিহাৰ ককাক কিম্বা পিতাকৰ চকু যেন লাগিছিল। মসৃন ঘাঁহনি খনৰ বুকুৱেদি এছাটি দুখৰ বতাহ যেন বৈ গৈছিল। অলপ পিছতে তেওঁক নিবলৈ নিৰ্দিষ্ট কোঠালিলৈ কেয়াৰ হমৰ সহায়কাৰী পাবহিয়ে। তেওঁক কৰমৰ্দন কৰি চলিহাই বিদায় লৈছিল। জীৱনৰ বাদ্ধক্যৰ নিৰ্মম সত্যটোৱে হুমুনিয়াহ এটা হৈ বুকু ফাটি ওলাই আহিছিল।


জনতাৰ চৰকাৰ
my GOV
সফলতাৰ সোপানেৰে
এবছৰীয়া যাত্ৰা
প্ৰতিশ্ৰুতি এখন নতুন অসম গঢ়াৰ
জনতাৰ সেৱাত নিৰন্তৰ যাত্ৰা আমাৰ
NEW ASSAM
Heralding Peace Fuelling Progress
JANASANYOG- 912/22
Register at
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

# আশাৰ ৰ'দ

**হিমাশ্ৰী বৰা, তিনিচুকীয়া**



আমি আশাবাদত বিশ্বাসী। চিকিৎসালয়ৰ আই.চি.ইউ কোঠাত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ জীৱন-মৰণৰ সৈতে যুঁজি থকা চফল ডেকাজনৰ পৰা, প্ৰতিবছৰে বাঢ়নী পানীয়ে কিয়দাংশ কাঢ়ি নিয়া নৈপৰীয়া পৰিয়ালটোৰ একমাত্ৰ কন্যা সন্তানৰ উপাযুক্ত হোৱাৰ সপোনটোলৈকে প্ৰত্যেকৰে বুকুৰ চোতালত আশাৰ ৰ'দ পৰে; সমান্তৰালভাৱে সংগ্ৰামে অট্টহাস্য কৰে। আশাৰ কাঁচিয়লী ৰ'দ চেৰেঙাই যদি আপোনাৰ সত্বাত ভিটামিনৰ যোগান ধৰা নাই তেন্তে বোধককৰোঁ অনুপম জীৱনৰ সুৰে আপোনাক মোহাৱিষ্ট কৰিব পৰা নাই। হেম বৰুৱাই লিখিছিল-"আশা আছে বাবেই পৃথিৱীখন ইমান ধুনীয়া"। যেনেকৈ ধুমুহাৰ পাছৰ ৰামধেনুখনৰ সৌন্দৰ্য্য চাবলৈ আমাৰ ব্যাকুল প্ৰতীক্ষা। ভালে থাকি ভালে ৰাখিব লাগিব আমি সপোন, আস্থা আৰু ভালপোৱাৰ পৃথিৱী ।ইয়াতো যত্নৰ অনুপাতে সাৰ-পানী যোগাব আশাই।হতাশাই চেপি অনাৰ সময়ত নিজকে শেষ কৰি দিয়াৰ মানসিকতা কেতিয়াও সমস্যাৰ সমাধান হ'ব নোৱাৰে। বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিঞ দেৰে লিখিছিল-"যন্ত্ৰণা অসহ্যও নহয়, চিৰস্থায়ীও নহয়..আৰু আত্মাৰ আছে সেই শক্তি, যি শক্তিৰে সি নিজৰ প্ৰশান্তি অক্ষুণ্ণ ৰাখিব পাৰে"। সেয়ে প্ৰবল ইচ্ছা শক্তি আৰু অধ্যৱসায়ৰ জোৰত বিফলতাকো জীৱনৰ পাঠ হিচাপে গ্ৰহণ কৰি আকাংক্ষিত লক্ষ্যস্থান অভিমুখে মানুহ গৈ আছে, গৈ থাকিব ।হাওলি পৰাৰ সময়তো আশাৰ কান্ধত ভেজা দি পুনৰ মূৰ দাঙি উঠিব ।হতাশা, বিষণ্ণতাৰ কোৰ্হাল দমাই সমন্বিতে পাঠ কৰোঁ আহক আশাৰ কবিতা ।মই পিছে নিতৌ গুণগুণাও, "জীয়াই থাকক আশাৰে ৰ'দ জীয়া.." ।

# কৃত্ৰিম বান অকৃত্ৰিম মানৱৰ দান

**সুশান্ত দাস, শিৱসাগৰ**

বৰ্তমান সমগ্ৰ অসমত বানৰ বিভীষিকা(!) এই বিভীষিকাময় পৰিস্থিতিত মানুহৰ নাজল-নাথল অৱস্থা হৈছে।গাওঁ অঞ্চলত হোৱা বানে সমগ্ৰ অসমকে সন্ত্ৰস্থ কৰিছে।কিন্তু নগৰ অঞ্চলৰ বানৰ ক্ষেত্ৰত কি ক'ম (?) নগৰ অঞ্চলত বান হোৱাটো প্ৰায় শুনি আহিছোঁ।ইয়াৰ আঁৰৰ ৰহস্য বিছাৰিলে আমি আমাৰেই অকৃতকাৰ্যতা দেখিবলৈ পাওঁ। আমি অতৰ্কিতে পেলোৱা জাৱৰ-জোথৰৰ কথা ক'ব পাৰি।নিতৌ ন ন প্ৰযুক্তিৰ উদ্ভাৱনত প্লাষ্টিক জাতীয় সামগ্ৰী দৈনন্দিনভাৱে দম দম কৰি পেলোৱাৰ ফলত নলা-নৰ্দমাবোৰত জাবৰেৰে ঠাহ খাই পৰিছে। যাৰ ফলস্বৰূপে এজাক ডাঙৰ বৰষুণ দিলেই নলাবোৰত পানী আগবাঢ়ি যাব নোৱাৰা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰে। বৰ্তমান সামাজিক মাধ্যমত আকৌ এচামে সেই বানৰ তথ্যচিত্ৰ খুহতীয়া গানৰ তালত প্ৰচাৰ কৰি অকৃত্ৰিম মানৱৰ যন্ত্ৰৱৎ অৱস্থা আৰু নিজৰ প্ৰমাদবোৰৰ স্বৰূপ দাঙি ধৰিছে। আই প্ৰকৃতি আজি বৰকৈয়ে ৰুষ্ট (!) নহ'বনো কিয় (?) নিজ পুত্ৰ-পুত্ৰীৰ দ্বাৰাই যেতিয়া ৰুগীয়া হৈ পৰিছে। কেতিয়া বুজিব এই ৰুগ্ন পৃথিৱীৰ হৃদয়বিদাৰক গাঁথা জীৱশ্ৰেষ্ঠ মানৱে। বৰ্তমান প্ৰেক্ষাপটত মহানগৰী গুৱাহাটীত কৃত্ৰিম বানে বিৰূপ প্ৰভাৱ দেখাইছে।বহুতো ৰাইজ সচেতন যদিও বহু দায়িত্বহীন, অসচেতন। যান্ত্ৰিক জীৱনৰ আনন্দ লোৱাত



ব্যতিব্যস্ত হোৱাৰ বাবে প্ৰকৃতিৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন নকৰে। লাখ লাখ টন প্লাষ্টিক দিনে দিনে, বছৰে বছৰে ব্যৱহাৰ হৈ আহিছে হ'লেও ৰাইজে বুজিব নুবুজাৰ ভাও কৰি প্লাষ্টিকবোৰৰ ব্যৱহাৰ এৰাই চলা নাই।ই কম দামী বাবে ইয়াক সকলোৱে আদৰি লৈছে কিন্তু এই কম দামী প্লাষ্টিকে মানুহৰ বহুমূলীয়া জীৱন নিমিষতে শেষ কৰি দিবলৈ পাশুপাত অস্ত্ৰ হ'বলৈ গৈ আছে। কৃত্ৰিম বানৰ এটা প্ৰধান কাৰণ এই অনিয়মিতভাৱে প্লাষ্টিক ব্যৱহাৰ। এইবোৰ নলীত জমা হৈ লাগি ধৰে আৰু পানীৰ চলাচলত অসুবিধা প্ৰদান কৰে যাৰ ফলত বৰষুণ দিলেই দুৰ্গন্ধযুক্ত গেলা পানীবোৰ গোটেই মহানগৰীত উপচি পৰে আৰু উপায়হীন হৈ মানুহেও ইয়াৰ ওপৰেদি খোজ কাঢ়ি জীৱন যুঁজৰ বাবে ওলায় যায়। মানৱ সমাজ সচেতন নহ'লে কোন সচেতন হ'ব (?)কোনে জাতিৰ ভৱিষ্যৎ ৰক্ষা কৰিব (?) এতিয়া অদৃষ্টৰ ওপৰত আস্থা ৰাখি হাতত হাতত থৈ বহি থাকিলে নহ'ব, হাতে-কামে সকলো লাগিব লাগিব। আমি যিমান পাৰো প্লাষ্টিক ব্যৱহাৰ কমাব লাগিব। কৃত্ৰিম বানে এতিয়াৰ ৰূপতকৈ আৰু বিৰূপ ক্ৰিয়া প্ৰকাশ কৰিব পাৰে যদিহে সমাজ সচেতন নহয় (!) আমি আমাৰ দেশৰ কংক্ৰীট অৰণ্যত বাস কৰো যদিও আমি মনত পেলাব লাগিব আমি আদিমত এই প্ৰকৃতিৰ ছায়াঁত বাস কৰিছিলোঁ।এই প্ৰকৃতিক আমি আকৌ আগৰ দৰে মনোমোহা কৰি তুলিব লাগিব।কৃত্ৰিম বানে গাঁৱৰ বানৰ দৰে ৰূপ ল'বও পাৰে, ই গোটেই চহৰখনক আধালৈকে ডুব যোৱাব পাৰে। আকৌ এফালে চালে, গেলা মেদযুক্ত পানীবোৰত অনবৰতে থাকিব লগা হ'লে অস্বাস্তিকৰ পৰিৱেশ গঢ়ি উঠিব যিয়ে মানৱৰ অস্তিত্ব ম্লান কৰি দিব পাৰে আৰু তেতিয়া আমি হয়তো অনুভৱ কৰিম "কৃত্ৰিম বান আমি অকৃত্ৰিম মানৱৰ দান(!)"। সেইবাবে আমি সজাগ হ'ব লাগিব; আমিয়েই হ'ব লাগিব ৰাজ্য, দেশ আৰু গোটেই বিশ্বৰ অতন্দ্ৰ প্ৰহৰী।।

# মই বাৰু একেটা

পদবীলৈ পদোন্নতি লাভ কৰি বোধ হয় ২০২০ চনত অৱসৰ ললে, দুয়ো কেৰেলা প্ৰদেশৰ) নামৰ দুজন লোকৰ কাৰণে ।ঘটনাটোৰ মূল কেন্দ্ৰ হ'ল, কেতুগ্ৰহ হ'ল, চিকিমৰ এজন চিপাহী ডাৱা টমাং উপাধীৰ। H.I.V ত আক্ৰান্ত আছিল তেওঁ। মোৰ এই কথা পুনৰবাৰ বাৰে বাৰে মনত পৰি চাহাবজনলৈ মনত পৰিছিল ১৯৯৭ চনৰ কথা বোধ হয় এইটো ।তেখেতৰ খণ্ডে এইটো প্ৰকাশ কৰিছল মোৰ "Service Book"ত ৰঙা চিয়াহিয়ে লিখি অনাগত পদোন্নতি বন্ধ কৰি পেলাব প্ৰভুৰ কৃপাত তেওঁ নৰম হ'ল ।মোক প্ৰবোধ দিছিল শশীয়ে। সি কৈছিল চিন্তা নকৰিবি তোৰ অফিছিয়েল Report Ok আছে।অৱশেষত বৰ্ষা শেষ হ'ল ।আকাশৰ পৰা আঁতৰি গ'ল ডাৱৰৰ ঘনঘটা আৰু বিজুলীৰ চমকনি। বতাহত ভাহি আহিল নতুন ফুলৰ সুগন্ধ ।পখীৰ মধুৰ গীতেৰে মুখৰিত হ'ল বন-উপবন ।

সঁচা কথা প্ৰায় ২ ঘন্টাৰ শ্বাসৰুদ্ধ পৰিস্থিতিৰ সৃষ্টি হৈছিল H.I.V ৰ পৰা সংক্ৰমিত টমাঙৰ মৃত্যুৰ ঘটনাক লৈ ।মই দাখিল কৰা মোৰ যোগাযোগ কৰা ফাইল মোৰ গালৈ চাহাবে দলিয়াই দিছিল, কাগজ বোৰ কোঠাৰ মজিয়াত সিঁচৰিত হৈ পৰিছিল, পিয়নজনে কাগজ-পত্ৰবোৰ মোৰ মুখলৈ চাই সযতনে বুটলি লৈছিল অৱশেষত পৰিস্থিতি শান্ত হ'ল। চাহাবেও পিছদিনা শাস্তি দিয়াৰ পৰিবৰ্তে অন্যান্য অফিছাৰৰ সন্মুখত পিঠিত হাত বুলাই "বাবুজী" বুলি সম্বোধন কৰি আগতে উল্লেখ কৰা কথাখিনি কৈছিল হাঁহি হাঁহি তাৰ পিছত কামৰ প্ৰশংসা। উল্লেখ কৰা ভাল হ'ব মানুহজনৰ এই বেমাৰ তোৰ কথা সকলোৱে জানে অথচ মৃত্যুৰ পিছত আমি এটা শাখালৈ বাৰ্তা এটা নপঠালো বুলিয়েই হাহাকাৰ লাগিল ।তাকেই ৰোমন্থন কৰি প্ৰকাশ কৰাৰ প্ৰধান উদ্দেশ্য হ'ল নৱ-প্ৰজন্ম ।আমাৰ সময় আৰু এতিয়াৰ সময়ৰ আকাশ-পাতাল প্ৰভেদ। মানুহৰ মন, চিন্তা চেতনাৰো দ্ৰুত পৰিবৰ্তন ।সকলো যেন পৰিৱেশ-পৰিস্থিতিৰ দাস। যান্ত্ৰিকতাৰ যুগ। গতিকে বহু ভাবি-শুনি, ধৈৰ্য্য সহকাৰে নতুন সকল যেন আগবাঢ়ে ।তাকেই কামনা । কাকো কোনেও সহায়-সহানুভূতি দেখুওৱাৰ অৱকাশ নাই শ্চসঁচা অৰ্থত সদিচ্ছৰ অভাৱ। সবহ সংখ্যকেই আজি- কালি নিজক লৈয়েই ব্যস্ত। আহৰি নাই আনৰ কথা ভবিবলৈ, সহায় কৰিবলৈ।

# প্ৰফেট মোহাম্মদ ছঃ আৰু

প্ৰফেট মোহাম্মদ ছঃ কিয় ভাৰতবৰ্ষৰ কোনো নাগৰিকে যাতে প্ৰাপ্ত ক্ষমতাৰ অপব্যৱহাৰ কৰি ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে কোনো জন ধৰ্মগুৰুৰ সম্পৰ্কত অশালীন আৰু অহেতুক কটু বক্তব্য প্ৰদানৰ পৰা বিৰত থাকে তাৰ বাবে ভাৰতবাসী সততে সচেতন হৈ থাকিব লাগিব। কাৰণ এনে সাম্প্ৰদায়িক বক্তব্য মাতৃভূমি ভাৰতবৰ্ষৰ অখণ্ডতাৰ বাবে ভাবুকি স্বৰূপ বুলি সাংবিধানিক ভাবেও বিবেচিত ।

বৰ্তমান সময়ত ভাৰতবৰ্ষৰ কিছুমান তথাকথিত ৰাজনৈতিক নেতা তথা সাধু-সন্যাসীয়ে ভাৰতবৰ্ষৰ মুছলমান সকলৰ দেশপ্ৰেমৰ ওপৰত প্ৰশ্নৰ অৱতাৰণা কৰা পৰিলক্ষিত হয়। এই ক্ষেত্ৰত প্ৰণিধান যোগ্য বিষয়টি হৈছে তেখেত সকলৰ ভাৰতবৰ্ষৰ ইতিহাস সম্পৰ্কে থকা জ্ঞানৰ দৈন্যতা। বিশেষকৈ ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম আৰু এই সংগ্ৰামৰ আৰম্ভণি তথা ভাৰতবৰ্ষৰ স্বাধীনতা লাভ কৰা কাৰ্যত মুছলমান সকলৰ অৱদানৰ বিষয়ে তেওঁলোকে কোনো দিনে অধ্যয়ন কৰা নাই নতুবা জানিবলৈ আগ্ৰহী নহয়।

আশ্চৰ্যজনক বিষয়টি হৈছে যি সময়ত ভাৰতবৰ্ষৰ জনগণে মূল্যবৃদ্ধিক মূল হিচাপে লৈ অন্যান্য সমস্যাত পতিত হৈ ককবকাই আছে, তেনে সময়ত এনে ধৰণৰ অহেতুক, অশালীন সাম্প্ৰদায়িক বক্তব্যবোৰে আমাৰ দেশ বা ৰাজ্যখনক উন্নতিৰ ফালে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পথ প্ৰশস্ত কৰাৰ সলনি দেশৰ জনসাধাৰণক ধৰ্মীয় উগ্ৰতাৰে প্ৰভাৱিত কৰি ভোটৰ ৰাজনীতিৰ অংকত ব্যস্ত কৰিছে আৰু জন সাধাৰণক মূল সমস্যাৰ পৰা আতৰাই ৰাখিবলৈ যত্নপৰ হৈছে। এইটো স্বীকাৰ্য যে বৰ্তমান সময়ত কিছু সংখ্যক বি জে পি দলৰ নেতাই দলীয় ৰাজনীতিত টিকি থাকিবলৈ গ্ৰহণ কৰা এনে নেতিবাচক পন্থাই ৰাষ্ট্ৰীয় ৰাজনীতিত বি জে পি দলটিক শ'লঠেকত যে পেলাব সেয়া ধ্ৰুৱ সত্য কথা। ইতিমধ্যে অসমত এনে ধৰণৰ সাম্প্ৰদায়িক বক্তব্য আগবঢ়াই শিৰোনাম দখল কৰি থকা তথাকথিত হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰা, প্ৰাক্তন বিধায়ক শিলাদিত্য দেব আৰু জনৈক মনোজ কুমাৰ ডেকাৰ লগতে বিভিন্ন চ'চিয়েল মেডিয়াত বিভিন্ন জন সততে সক্ৰিয় হৈ থকা প্ৰত্যক্ষ কৰা যায়। ৰাষ্ট্ৰীয় পৰ্যায়ত বি জে পি দল আৰু চৰকাৰে যি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি ধৰ্মনিৰপেক্ষতা ৰক্ষা কৰিবলৈ ব্যৱস্থা লৈছে, এনে ক্ষেত্ৰত কিন্তু অসম চৰকাৰে কোনো ধৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা সাম্প্ৰতিক মুহূৰ্তলৈ দৃষ্টিগোচৰ হোৱা নাই। এই সাম্প্ৰদায়িক মন্তব্য কৰা ব্যক্তি সকলৰ বাবে অদূৰ ভৱিষ্যতে সম্প্ৰীতি আৰু সমন্বয়ৰ অসমত, শংকৰ আজানৰ দেশ অসমত যে এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি নহ'ব তাৰ কোনো কাৰণ নাই। এইটো সময়ত ভাৰতবৰ্ষৰ জনসাধাৰণক সাম্প্ৰদায়িক বক্তব্যৰে ব্যতিব্যস্ত কৰা সকলো ধৰ্মৰ ব্যক্তিক চিনাক্তকৰণ কৰিবলৈ ভাৰত বাসীৰ ওপৰত দায়িত্ব সৰ্বতো প্ৰকাৰে আহি পৰিছে। এয়া ধৰ্ম পালনৰ অভিযান হ'ব নালাগে, হ'ব লাগে ভাৰতবৰ্ষৰ সংবিধানক সৰ্বতো প্ৰকাৰে সকলো সময়তে পালন কৰাৰ অভিযানৰ আন্তৰিক অংগিকাৰ।

# আত্মনিৰ্ভৰশীলতা আৰু দৃঢ়তা

**কৌশল্যা বৰা, দেৰগাঁও**




ভৱিষ্যৎ দেশৰ ধৰণী স্বৰূপ কিশোৰ-কিশোৰীসকলৰ সৰ্বতো প্ৰকাৰ উন্নতিয়েই এখন দেশৰ বা এটা জাতিৰ উন্নতি। বিশেষকৈ শৈশৱৰ দেওনা পাৰ হৈ কৈশোৰত ভৰি থোৱা সকলে নিজকে সফল ভাৱে গঢ়িবলৈ যথেষ্ঠ কষ্ট কৰে আৰু কষ্ট কৰিব লগা হয়। ভৱিষ্যতে কি হ'ম(?) সেই লৈ তোমালোকৰ সমস্ত জল্পনা-কল্পনা নহয়নে?ডাঙৰ মানুহ হোৱাৰ সপোনে খেদি ফুৰিছে অহৰহ তোমালোকক লগতে তোমালোকৰ মা-দেউতাহঁতকো। সেইটো স্বাভাৱিক। তোমালোকৰ প্ৰত্যেককে ভৱিষ্যতে একোজন সু-নাগৰিক ৰূপে গঢ়ি তুলিব পৰাতেই পূৰ্বজসকলৰো সাৰ্থকতা।সা-সম্পত্তি, মান-যশ আদিৰে ডাঙৰ মানুহ হোৱা আৰু এজন প্ৰকৃত মানৱ গুণ সম্পন্ন সু-নাগৰিক হোৱাৰ মাজত কিন্তু কিছু প্ৰভেদ আছে।মূল্যবোধ বিষয়টো স্কুলীয়া শিক্ষাৰ সতে জড়িত। শিক্ষাৰ সৈতে জড়িত কথাবোৰ সকলোৱে নিজৰ ফালৰ পৰা ভাবিলে সমাজৰ বহুত সমস্যাও নিজে নিজে নাইকীয়া হৈ যাব। পৰীক্ষাত ভাল নম্বৰ পাই ভাল চাকৰি এটা যোগাৰ কৰাটোৱেইতো আৰু শিক্ষাৰ উদ্দেশ্য নহয়। যি নহওঁক তোমালোকে সময়ৰ সদ্ব্যৱহাৰ কৰি নিজৰ কামত আগবাঢ়া। সদায় লক্ষ্য ৰাখিবা যাতে সময় কেতিয়াও অবাবত আঙুলিৰ ফাঁকেৰে সৰকি নাযায়। কিন্তু, পাঠ্য-পুথি আৰু ব্যৱহাৰিক শিক্ষাৰ লগে লগে প্ৰকৃত মানুহ হ'বলৈ কৰিব লগীয়া অনুশীলন আৰু বহুত আছে, যিবোৰ হয়তো আমাৰ বহুতেই সঠিকভাবে কৰিব জনা নাই।প্ৰথম কথা, পঢ়া-শুনাৰ লগতে তোমালোকে পৰাপক্ষত সদায় আত্মনিৰ্ভৰশীল হোৱাৰ অনুশীলন কৰিবা।যিমান সম্ভৱ নিজৰ কাম সদায় নিজে কৰি লোৱাৰ অভ্যাস কৰিবা। নিজৰ বাটত নিজেই আগবাঢ়িবলৈ অভ্যাস কৰিব লাগে।নিজে কৰিব পৰা কামত কেতিয়াও আনৰ সহায়ৰ বাবে ৰৈ নাথাকিবা।যিমানে আনৰ ওপৰত নিৰ্ভৰশীল হ'বা সিমানে আত্মনিৰ্ভৰশীলতা কমি যাব।আনকি কেতিয়াবা বিপদতো পৰাৰ সম্ভাৱনা থাকিব।আকৌ সকলো কথাতে পিতৃ-মাতৃ বা পৰিয়ালৰ আন কাৰোবাৰ ওপৰত নিৰ্ভৰশীল হ'লে ডাঙৰ হ'লে নিজে নিজক বা নিজৰ পৰিয়ালক চোৱা-চিতা কৰা কঠিন হৈ পৰিব। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ গানটো শুনিছাহঁক নহয়..“যদি তোৰ ডাক শুনে কেউ না আসে তবে একলা চলোৰে..।”পৃথিৱীৰ চহকী দেশবোৰত ধনী অভিভাৱক সকলে পঢ়া সন্তানক নিজৰ পঢ়াৰ খৰচ নিজে উলিয়াবলৈ দিয়ে। সৰুৱে পৰা সৎ উপায়েৰে অৰ্থ উপাৰ্জনৰ কথা শিকায়। সৎ উপায়ে পৰিশ্ৰম কৰি আত্মনিৰ্ভৰশীল হ'বলৈ শিকাটো মহৎ জীৱনৰ সাধনা। আমাৰ দেশত বহুত ডাঙৰ হোৱালৈকে কিন্তু স্কুলীয়া ল'ৰা-ছোৱালীয়ে দোকান-বজাৰ কৰিবলৈও নাযায়। কিন্তু এতিয়াও গ্ৰামাঞ্চলত বহুতো স্কুলীয়া ছাত্ৰই সৎপথে উপাৰ্জন কৰি পঢ়া-শুনা কৰিছে। কোনোৱে জীৱ-জন্তু পুহি, কোনোৱে নিজতকৈ সৰু ছাত্ৰ-ছাত্ৰীক টিউচন কৰি, কোনোৱে সৰু-সুৰা বেপাৰ-বাণিজ কৰি নিজৰ পঢ়াৰ খৰচ উলিয়াইছে আৰু পিতৃ-মাতৃৰো কষ্ট লাঘৱ কৰিছে। তেওঁলোকে সৰুৰে পৰাই যে আত্মনিৰ্ভৰশীল হৈছে ভৱিষ্যতে যিকোনো পৰিৱেশ বা সমস্যাৰ সৈতে সহজেই সন্মুখীন হ'ব পাৰিব। সকলোৱে যে এইবোৰ কৰিবই লাগিব তেনে কোনো কথা নাই। মাত্ৰ নিজৰ কামৰ কাৰণে যেনে নিজৰ কাপোৰ কেইটা, খোৱা বাচন কেইটা ধুই লোৱা, নিজৰ কোঠাটো পৰিস্কাৰ কৰি ৰখা, ওচৰৰ দোকান-বজাৰৰ পৰা প্ৰয়োজনীয় বস্তুকেইপদ কিনি অনা ইত্যাদি কামবোৰৰ বাবে কেতিয়াও পৰিয়ালৰ আনৰ ওপৰত নিৰ্ভৰ নকৰিবা।সৰুৰে পৰাই স্বাৱলম্বী হ'বলৈ শিকা ল'ৰা-ছোৱালী কেৱল পৰিয়ালৰে আদৰৰ নহয়, তেওঁলোকক সমাজেও ভাল পায়। সেইসকল ছাত্ৰ-ছাত্ৰী সঁচাকৈয়ে শ্ৰদ্ধাৰ যোগ্য নহয়নে? আন এটা কথা, নিজ নিজ ধৰ্মমতে সদায় ঈশ্বৰক এবাৰ প্ৰাৰ্থনা কৰিবাহঁক।প্ৰাৰ্থনাৰ বাবে কোনো দ্ৰব্য বা সুকীয়া সময় নালাগে।সদায় শোৱাৰ আগত বিচনাত পৰি ভগৱানৰ আশিষ বিচাৰিবা।যাতে সকলো কামতে সুকলমে আগবাঢ়িব পাৰা। পৰীক্ষাৰ ভাল ফলাফল বিচাৰি, বয়-বস্তু বিচাৰি, সুখ-সুবিধা বিচাৰি বুট-মগু, ধূপ-চাকিৰ টোপোলা লৈ মন্দিৰে মন্দিৰে দৌৰি ফুৰাক প্ৰাৰ্থনা নোবোলে।প্ৰাৰ্থনা কেৱল নিজৰ অন্তৰ পোহৰ কৰাৰ সাধনা। নিজৰ মনোবল বৃদ্ধি কৰি নিজৰ সহায় নিজে হ'বলৈ কৰা দৃঢ় চিন্তা। মানুহৰ মনত ভালৰ লগে লগে নানানটা বেয়া ৰিপু থাকে। প্ৰাৰ্থনাৰ দ্বাৰা আমি বেয়া ৰিপুবোৰৰ সৈতে যুঁজিবলৈ সাহস গোটাও।লুই উইণ্টাৰমেয়াৰ নামৰ বিখ্যাত চিন্তাবিদজনৰ প্ৰাৰ্থনাৰ মূল অৰ্থ আছিল এনেধৰণৰ '..প্ৰাৰ্থনা হৈছে-আমাৰ মনত যাতে কোনোদিনে বেয়াভাৱ যেনে-লোভ, মোহ, খং, হিংসা, এলাহ নাহে তাৰবাবে ভগৱানক কৰা ধ্যান।ই হৈছে মনক সংযত কৰাৰ মৌন চিন্তা।...'প্ৰভু, আমাক মনোবল দিয়া, আত্মবিশ্বাস দিয়া, জীৱনত জয়ী হোৱাৰ ক্ষেত্ৰত যুঁজ কৰিবলৈ শক্তি দিয়া, যুঁজত পৰাজয় হ'লেও মানি ল'বলৈকো শক্তি দিয়া।পৃথিৱীৰ আশ্চৰ্য জ্যোতি আৰু সৌন্দৰ্য্যৰ জগতক চোৱাৰ লগতে দূৰ্ভগীয়া প্ৰাণীবোৰৰ প্ৰতিও দয়াশীল হ'ব পৰা আৰু তেওঁলোকৰ দুখ-দুৰ্গতিৰ প্ৰতিও সহানুভূতিশীল হ'ব পৰা শক্তি দিয়া। সুমধুৰ সংগীত শুনি আপ্লুত হোৱাৰ লগতে আৰ্তজনৰ কৰুণ বিননি শুনিব পৰা শক্তি দিয়া।অন্যায়ৰ লগত আপোচ নকৰিবলৈ যাতে দৃঢ় আৰু কঠোৰ হও।কোনো কামকে যাতে পাল নামাৰো তাৰ বাবে মনত বল দিয়া...।' টোপনি যোৱাৰ আগতে সদায় ভাল ভাল কথা, কাহিনী, দিনটোত শিকা দৰকাৰী বিষয়বোৰ মনত পেলাই ঈশ্বৰক ভাবিব লাগে। এনেকৈ কৰিলে সদায় মনটো ভালৰ পৰা ভাললৈ গতি কৰিব। তাৰ পাছত দেখিবাহঁক সঁচাকৈয়ে ভগৱানে তোমালোকৰ প্ৰাৰ্থনা শুনিলে আৰু তোমালোকে ভবামতেই একোজন সু-নাগৰিক হৈ দহৰ আৰু দেশৰ নাম জিলিকাব পৰা একোজন ভাল মানুহ কৰি তুলিব।বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে তেখেতৰ 'আত্মত্ৰান' নামৰ কবিতাটোত কি লিখিছিল শুনাচোন-

'বিপদে মোৰ ৰক্ষা কৰো,
এই নহে মোৰ প্ৰাৰ্থনা,
বিপদকে আমি না যেন কৰি
ভয়।
দু:খে তাপে-ব্যথিত চিতে
নাইবা দিলে সান্ত্বনা
দু:খে যেন কৰিতে পাৰি
জয়।....'

দুখৰ পৰা পৰিত্ৰাণ পাবলৈ, বিপদৰ পৰা বাচিবলৈ আমি ভগৱানক প্ৰাৰ্থনা কৰোঁ। অৰ্থাৎ আমি দু:খ, বিপদলৈ ভয় কৰোঁ। আচলতে আমি প্ৰাৰ্থনা কৰিব লাগে যাতে দু:খ আৰু বিপদৰ সতে মুখা-মুখি হ'ব পৰা শক্তিহে দিয়ে ভগৱানে। দৃঢ় মনোবলৰ সহায়ত নিজে নিজৰ সহায় সাৰথি হৈ জীৱনক সুন্দৰকৈ আগবঢ়াই নিব পাৰি তাৰ শিক্ষা আৰু অনুপ্ৰেৰণাৰে ভৰা এই কবিতাটিয়ে উঠি অহা সকলক বহুত আত্মনিৰ্ভৰশীলতাৰ জ্ঞান দিব বুলি আমাৰ বিশ্বাস। তোমালোকৰ দৰে সৎ আৰু আত্মনিৰ্ভৰশীল নতুন প্ৰজন্মই পৃথিৱীৰ হেৰাই যাব খোজা শান্তি ঘূৰাই আনিব পাৰিব।

# পখিলা

**লক্ষীপ্ৰিয়া দাস, পঞ্চম শ্ৰেণী**



ৰঙা বগা পখিলাবোৰে
আকাশত উৰি ফুৰে;
ফুলত পৰি পখিলাবোৰে
মৌ-পান কৰে।
সিটো-ইটো ফুলৰ পাহিত
পখিলাই মৌ চুহি খায়;
তাকে দেখি মোৰ মনটো
ভাল লাগি যায়।

# চিগাৰেটৰ ধোঁৱা

**শতাব্দী শৰ্মা, নগাওঁ**



চিগাৰেটৰ ধোঁৱাত
ৰৌদ্ৰোজ্জ্বল পুৱাটিৰ এক শেষ হাঁহি,
নিচাত ডুবি যায়
নীলাভতাৰ জিলমিল তৰাটি ।
মনোজগতত দিন-ৰাতিৰ সন্নিকট
নতুবা হতাশাৰ উচুপনি,
অসময়ত অবাঞ্চিত অৰ্ন্তদ্বন্দ্ব
কিম্বা ঢেৰেকণি- গাজনি।
অধঃপতনৰ কাৰুণ্যৰে ভৰা
যন্ত্ৰণাদায়ক শ্ল'গান,
কৰ্মৰ ফল সন্মুখসমৰত
উৎসাহজনক নতুবা বিফলতাৰ জয়গান ।
পুতিগন্ধময় নিথৰ দেহ
বিপদৰ অৱশেষ,
ঘিত-মধুময় জন্মক্ষণ
ছিন্ন-ভিন্ন সপোনৰ মৰণক্ষণ ।
চিগাৰেটৰ ধোঁৱাত ধুনীয়া,
চিৰযুগমীয়া যাত্ৰাৰ অন্ত ।

# টকাৰ খেল

**ডলি মণি বৈশ্য, গুৱাহাটী**



মেধাবী গুণ মূল্যহীন
টকাৰ বলেৰে চলে জীৱনৰ ঘৃণণীয় খেল,
দুই ঘন্টাত নহয় জীৱনৰ পৰীক্ষা
টকাই দিব পাৰে অযোগ্যতাক যোগ্যতা!
টকাৰ বলেৰে ভাঙি দিয়ে
ক'ত সপোনৰ পঁজা, ক'ত মেধাবীৰ আশা,
মানৱীয়তাক গচকি টকাই কৰে জয়যাত্ৰা
এয়াই বৰ্তমান যুগৰ ঘৃণণীয় সত্যতা।।


# Cradle of the world

**দেৱীকা বৰপুজাৰী, মুম্বাই**

Surrogate- এই শব্দটোৰ লগত আজি আমি খুবেই পৰিচিত; সন্তান জন্ম দিব নোৱাৰাৰ বেদনা এই শব্দটোৱে আজি বহুখিনি লাঘৱ কৰিছে। আনকি গুজৰাটৰ এগৰাকী প্ৰসূতি বিদ্যাৰ ডাক্তৰ, নয়না পেটেলৰ উদ্যোগত বেলেগে এখন 'হাউছিং চচাইতি' গঢ় লৈছে বুলি শুনা যায়। পোন্ধৰ বছৰ আগৰ পৰা আৰম্ভ এই কাহিনী। পৃথিৱীৰ সন্তানহীন দম্পতী গুজৰাটৰ আনন্দ নামৰ ঠাইলৈ ঢপলিয়াই আহিছিল- এনে এগৰাকী নাৰীৰ সন্ধানত যিয়ে তেওঁলোকৰ সন্তান দেহত ধাৰণ কৰিব পাৰে।

Chaitan Hatti ৰ কথাৰে আৰম্ভ কৰা যাওক। Norway ত থকা চৈতন বন্ধ কটাবলৈ বঙ্গালোৰৰ ঘৰলৈ আহোতে বন্ধু এজনৰ পৰা গম পালে যে, আনন্দত পেশাদাৰী গোট এটা আছে যিয়ে surrogacy কৰে। ভালদৰে 'নেট'ত চাই মেলি দুয়ো পতি পত্নী আনন্দত আহি উপস্থিত হল আৰু এখন ক্লিনিক ত তেওঁলোকে কেইবাগৰাকী মহিলাৰ সাক্ষাৎকাৰ লবলৈ আৰম্ভ কৰিলে আৰু শেষত এগৰাকী মহিলা তেওঁলোকে পুষ্পা নামৰ, মানুহৰ ঘৰত সহায়িকা হিচাবে কাম কৰা মহিলাক বাছনি কৰিলে। পুষ্পাৰ স্বামীয়ে স্কুল এখনত চাফাই কাম কৰে। ষ্টাম্প পেপাৰত চুক্তিৰ চহি কৰাৰ ন মাহৰ পাছত, দুয়ো পক্ষৰ আনন্দৰ সীমা নোহোৱা হ'ল- চৈতন আৰু পত্নীয়ে পালে নতুন জীৱনৰ আনন্দ স্বৰূপ এক পুত্ৰ সন্তান আৰু পুষ্পাই পালে- মোটা অংকৰ চেক (cheque)।

এই ধৰণৰ ঘটনা আনন্দত সঘনাই হৈ আছিল, যেতিয়া ভাৰতৰ আন ৰাজ্যত এই surrogacy বৰকৈ শুনিবলৈ পোৱা নগৈছিল। মহিলাই নিজৰ egg প্ৰদান কৰি এক ব্যৱসায় চলাইছিল। বিনিময়ত যি খিনি আৰ্থিক সহায় পায়, সেয়া সিহঁতৰ গিৰিহঁতে গোটেই বছৰটো কাম কৰিও আৰ্জিব নোৱাৰে।



ব্যৱস্থাটো এনে ধৰণৰ- ভাৰাতিয়া মাতৃ বা surrogate মাতৃ আৰু সন্তান পাবলৈ ইচ্ছুক দম্পতীয়ে চুক্তি পত্ৰত ঘোষণা কৰিব যে, surrogate মাতৃয়ে সন্তানৰ কোনো অধিকাৰ পাব নোৱাৰিব আৰু তেওঁৰ 'ফিজ' নিগাজীকৈ বেংকত তেওঁৰ নামত একাউণ্ট খুলি জমা কৰা হ'ব আৰু মাহে মাহে তাৰ পৰাই পইচা উলিয়াই surrogate কৰিব খোজা মাতৃয়ে নিজৰ শৰীৰৰ যত্নৰ বাবে সুষম খাদ্যৰ ব্যৱস্থা কৰিব পাৰিব।

স্বাভাৱিকতেই এই মাতৃ সকলে নিজৰ পৰিচয় দিবলৈ বা বাতৰি কাকতত নিজৰ ছবি প্ৰকাশ কৰিবলৈ অনিচ্ছুক। বহুতেই নিজৰ surrogacy লুকুৱাই ৰাখিব খোজে । আনন্দৰ কাষৰ গাঁও বোৰৰ পৰাই এনে মহিলা আনন্দ ত থকা ক্লিনিক লৈ আহে যদিও আন ৰাজ্যৰ পৰাও মহিলা আনন্দলৈ আহে। যেনে হাওৰাৰ পৰা অহা প্ৰণতি মণ্ডল, যিয়ে কৰিয়ান দম্পতী এহালৰ সন্তানৰ মাতৃ। প্ৰণতিৰ ডাঙৰ ল'ৰাটো অসুখীয়া, হাৰ্ট ৰ অপেৰেচনৰ বাবে টকাৰ বৰ প্ৰয়োজন বাবেই আনন্দ চহৰৰ এই ব্যৱসায়ৰ বিষয়ে এজনীয়ে খবৰ দিয়াত গুচি আহিছে।

অন্ধ্ৰপ্ৰদেশৰ মঞ্জুলাৰ স্বামী মদাহী, কাম পালেও মদাহী বাবেই কামৰ পৰা খেদা খায়। Surrogacy কৰি পোৱা ধনেৰে এতিয়া তাইৰ স্বামীয়ে সৰুকৈ ব্যৱসায় এটা আৰম্ভ কৰিছে আৰু মদ খাবলৈকো এৰিছে।


ওপৰত উল্লেখ কৰা পুষ্পাৰ ইমান অভাৱ নাছিল কিন্তু জীৱন ধাৰণৰ প্ৰণালী অলপ উন্নত কৰিবলৈকে পুষ্পাই এই কামলৈ আগ্ৰহ কৰিছিল আৰু ইয়াত পুষ্পাৰ স্বামীৰো সমৰ্থন আছিল। পদ্মাশ্ৰীমণি, পুষ্পাৰ ননদয়েও নিজৰ ঠাই এৰি আনন্দলৈ আহিছিল, surrogacy ৰ পৰা পোৱা মোটা টকাৰে সন্তানৰ ভৱিষ্যত উজ্জ্বল কৰিবলৈ। এই মহিলাসকলৰ অৰ্থনৈতিক স্বাধীনতা আৰু বিদেশী সকলেও ইউৰোপ আমেৰিকাতকৈ বহু কম খৰছ তে সন্তান এটা পোৱাৰ বাবে- দুয়ো পক্ষৰ লাভ হৈছে। সেইবাবেই, আনন্দ ইউৰোপ আমেৰিকাৰ পৰা অহা অতিথিৰে ভৰপূৰ। তাতে মুম্বাইৰ পৰা আনন্দ ওচৰত বাবে, বহু দম্পতিয়ে surrogacy ৰ বাবে মুম্বাই পছন্দ কৰে, যদিও মুম্বাইত এই কাম সহজতে কৰিব পাৰি কিন্তু পৰিয়ালৰ পৰা নানা কথা শুনিব লগীয়া হয় বাবেই বেছি ভাগেই আনন্দ চহৰক অগ্ৰাধিকাৰ দিয়ে।

Surrogacy লৈ আগবঢ়াৰ আগতে, ইচ্ছুক মহিলা গৰাকীৰ স্বাস্থ্যৰ প্ৰতি বিশেষ চকু দিয়া হয়। নিয়মিতভাৱে পৰীক্ষা কৰাটো প্ৰয়োজন। সুদক্ষ ডাক্তৰৰ হতুৱাই যদি মাজে সময়ে চলি জাৰি চাই পৰীক্ষা কৰি থকা হয়, তেনেহলে, egg দান কৰা মহিলাৰ আভ্যন্তৰীণ শৰীৰত কোনো আসোঁৱাহ দেখা নাযায়। ডাক্তৰ সকলৰ মতে, ' surrogacy শেষ বিকল্প, যেতিয়ালৈকে কোনো দম্পতীৰ সন্তান জন্ম দিয়াৰ কোনো আশা নাই, তেতিয়া হে এই প্ৰথা অৱলম্বন কৰা উচিত'। Single পুৰুষ বা নাৰীৰ বাবে surrogacy আমাৰ দেশত 2015 চনত আইনমতে দণ্ডনীয় বুলি ঘোষণা কৰা হৈছিল। দৰিদ্ৰ মহিলা সকলে ন মাহ গৰ্ভত নিজৰ সন্তান ধাৰণ কৰি পাছত সেই নিঃসন্তান দম্পত্তিৰ হাতত নিজৰ মায়া এৰি তুলি দিব লগীয়া হয় চাৰি পাঁচ লাখ টকাৰ বিনিময়ত। চাবলৈ গলে, দুয়ো পক্ষৰে লাভ।

# অভিমান

**অনামিকা বৰা**


'অভিমান' ! !কিমান যে আপদ এই শব্দটো.... । কিয় যে আহি পৰে তোমাৰ আৰু মোৰ মাজত, কিয় বাৰু সকলো সলনি কৰি দিয়ে? সঁচাই !বৰ কষ্টকৰ জানানে বাৰু তুমি? তোমাৰ ওঠত বিৰিঙি উঠা সেই সোণবৰণীয়া হাঁহিটোৱে, তুমি কোৱা সেই ধেমেলীয়া কথাবোৰে, ! ক'ত! যে! ৰং! সানি! থৈ যায় মোৰ বুকুত সপোন ভাহি উঠা তোমাৰ সেই আকাশ নীলা চকুজুৰিয়ে! সঁচাই মোৰ মন আকাশলৈ কিমান যে সাগৰ নীলা, সপোন কঢ়িয়াই আনে, জানানে বাৰু তুমি? কিদৰে বুজাও তোমাক



ক'ব! লগা যে বহুতেই আছে কিমান যে ভালপাওঁ তোমাক অপ্ৰত্যাশিত তোমাৰ সেই উত্তৰ শুনি নিৰাশ! জানো! হয়! মই তোমাৰ উত্তৰে জুখিব জানো পাৰিব, !মোৰ! প্ৰেম! অনুভূতিৰ গভীৰতা অভিমানৰ নাঁওখনো আৰু কিমান দূৰলৈ মেলিবা, ! এতিয়াও যে বুজা নাই তুমি, কিদৰে আশাৰ সমাধিলৈ বৈ আছো তোমাৰ বাবে, আজিৰ এই অশ্ৰুসিক্ত মোৰ চকুজুৰিতো তোমাৰেই যে প্ৰতিচ্ছবি !সচাই বাৰু জানানে তুমি ?

# প্ৰহৰী


**আৰাধনা কটকী, মাজগাওঁ, তেজপুৰ**



লাহে লাহে গাঁও খনলৈ সন্ধিয়া
নামি আহিছিল, বিয়লিৰ
বেলিটোও
গছজোপাৰ পাতৰ মাজৰ পৰাই
ৰঙা হৈ গৈছিল...
অদূৰত ডবা কোবাইছিল
চৌদিশ ভাদমহীয়া
প্ৰসাদৰ গোন্ধত আমোল-মোল
আইতাক কোবাকোবিকৈ ঘৰলৈ
উভতিলে.... ওৰেটো বাট
ৰং মনৰ প্ৰশ্ন...
বুঢ়া গছজোপা বোলে
কাটিব, পকী হ'ব ৰাস্তাবোৰ...
কিন্তু তাত থকা
চৰাইৰ বাঁহবোৰৰ কি হ'ব
দুপৰীয়া ভাত নাকে
কাণে গুজি প্ৰকাণ্ড
গছজোপাৰ তলত
জলপৰী চোৰাৰ উল্লাস
গধূলি হ'লেই ককাকৰ
লগত সাধুৰ ৰঙীন জগতত
বিচৰণ.... কেন্দ্ৰস্থল
সেই বুঢ়া গছজোপা
ক'ত বীৰ শ্বহীদৰ
তেজৰ চেকুৰাৰ গাঁঠা
উট বোলা ভুতটোৰ
ঘৰো; হেনো তাতেই
কিমান যে ভাগৰুৱা
পথিকৰ জিৰুৱা স্থল
ক'ত ধুমুহাই জোকাৰি
গৈছে গছ ডালক....
প্ৰতিটো বসন্ততে আকৌ
কুঁহিপাতৰ
ভৰপক.... কিমান যে পশুপক্ষীৰ
আশ্ৰয়ৰ স্থল.... সাহসৰ
ঢল, এই বুঢ়া গছ ডালেই
সেইডাল কাটিব নিদিবা
আইতা...।

# কাজিৰঙা


**ময়ুৰাক্ষী গগৈ**



কাজিৰঙা কাজিৰঙা,
বিশ্ব ঐতিহ্যৰ স্থল তুমি।
চাৰিওফালে নয়ন ভৰি যোৱা
চিৰসেউজ অৰণ্য আৰু ঘাঁহনি,
মূল্যবান গছৰ পৰা আৰম্ভ কৰি
ফল-মূলৰ গছ, ঔষধি গছ
আৰু যে কত কি?
কাজিৰঙা তুমিয়েই যে
বন্যপ্ৰাণীৰ আশ্ৰয়স্থল।
তোমাৰ বুক শুৱনি কৰিছে
আপুৰুগীয়া এশিঙীয়া গঁড়ে।
তোমাৰ খাল-বিল, জলাশয় ভৰি আছে
মাছ, কাছ, ঘঁৰিয়াল আৰু
পৰিভ্ৰমী চৰাই বোৰে।
তোমাৰ সৌন্দৰ্যৰ আকৰ্ষণত
দেশী বিদেশী পৰ্যটকে ভিৰ কৰেহি।
তোমাৰ এই সৌন্দৰ্যই আকৌ
কাৰোবাক দিছে জীৱিকাৰ বাট।
কাজিৰঙা, ধন্য তুমি!
ধন্য তোমাৰ সৌন্দৰ্য।

# ENGLISH NEWS SECTION

## Assam Government reconstitutes State Level Advisory Board on Child Labour



The State Level Advisory Body on Child Labour has been reconstituted by the State Government for a period of three (3) years. The main functions of the Advisory Board include review of implementation of the existing provisions of the legislations governing employment of children. Additionally, the Board will also provide inputs and suggestions on legislative and welfare measures for the overall well-being and safety of the working children. Furthermore, the Advisory Board will hold meetings at regular intervals to review the welfare measures. The Advisory Board will be headed by Sanjay Kishan, Minister of Labour Welfare Department as the Chairman. Jishnu Barua, Chief Secretary will function as the Vice-Chairman. The Advisory Board will include 11 Government representatives; two (2) State Legislative Assembly representatives – Krishna Kamal Tanti, MLA, Rangapara Constituency and Terash Gowalla, MLA, Duliajan Constituency; further, one (1) representative each from Voluntary organisations - Assam Sewa Samity and The Lions Club; and one (1) representative each from the Assam Branch, Indian Tea Association, Assam Manufacturer Association, Indian National Trade Union Congress, Assam Chah Mazdoor Sangha (ACMS), All India Trade Union Congress - Assam State Committee and Bharatiya Chah Mazdoor Sangha (BCMS).

## Assam Governor administers oath to new ministers




Assam Governor Prof. Jagdish Mukhi in the exercise of power vested in him under clause (1) of Article 164 of the Constitution of India inducted two ministers by administering them oath of office and secrecy at a solemn function held at Srimanta Sankardev Kalakshetra International auditorium, here. The two newly inducted ministers are Nandita Gorlosa and Jayanta Malla Baruah. With this expansion the strength of the Council of Ministers of the BJP-led State government rose to 16. In the swearing-in ceremony Chief Minister Dr. Himanta Biswa Sarma, his ministerial colleagues, MPs, MLAs, his advisors, senior government officers and a host of other dignitaries were present

## Governor flags off IRCSN ambulance in Nagaland



Assam and Nagaland Governor Prof. Jagdish Mukhi who is also the President of Indian Red Cross Society, flagged-off a new ambulance of IRCSN at Raj Bhavan, Kohima. It may be mentioned that Nagaland is one of the recipients among the various states to receive a new ambulance from the National Headquarter (NHQ) of Indian Red Cross Society and International Federation of Red Cross (IFRC). The ambulance will provide Basic Life Support services for rendering humanitarian services and is equipped with facilities for oxygen administration, suction machine, I.V drip, air condition facilities etc. Moreover, the services of a qualified nurse has also been recruited to attend the emergency needs of the patient inside the ambulance. Public can avail the services of the Ambulance anytime anywhere by reaching the no.7005195839 & 8794242948 at a very minimum cost.

## Governor administers oath to Orenpomo Kikon as member of NPSC



Orenpomo Kikon was sworn-in as a Member of Nagaland Public Service Commission in an oath taking-ceremony held at Dr. Imkongliba Ao Hall, Raj Bhavan, Kohima. Governor of Assam and Nagaland, Prof. Jagdish Mukhi administered the 'Oath of Secrecy' in the presence of Chief Minister, Neiphiu Rio,Chief Secretary, Nagaland, J. Alam, IAS initiated the proceedings of the ceremony.

## Joint Secretary, KAAC appointed as Returning Office of 11- Langpher

Dispur, Rongili Barta: State Election Commission, Assam has appointed the Joint Secretary, Karbi Anglong Autonomous Council (KAAC) as Returning Officer of 11- Langpher Constituency in KAAC Election-2022. Earlier Addl. Deputy Commissioner-II, Karbi Anglong was appointed for the same.

## Justice Lanusungkum Jamir new judge in Gauhati High Court



JusticeLanusungkum Jamir took oath as a Judge of the Gauhati High Court in a swearing-in-ceremony held at Guwahati High Court.He was administered the the oath of office and secrecy by Justice N. Kotiswar Singh, Acting Chief Justice of Gauhati High Court. JusticeLanusungkum Jamir was previously serving as a Judge of Manipur High Court.

## Raha Museum observed 133 rd Birth anniversary of Lokopriya Gopinath Bordoloi

The 133 rd Birth Anniversary of Bharat Ratna, Lokapriya Gopinath Bordoloi, the first Chief Minister of Assam, post-Independence, was observed by the Gopinath Bordoloi Memorial Museum in Raha on June 6 (Monday). Organised under the aegis of the Directorate of Museum, a Clay modelling workshop was conducted by artiste Hemanta Saikia and Bikram Senapati as part of the day-long celebration, wherein 15 children participated. A certificate of participation was handed over to all the participants during the Closing ceremony. Sashi Kanta Das, MLA, Raha while paying his tribute to the visionary leader, recalled about his significant contribution towards the State and its people. Also present on the occasion were Y.S.Wunglengton, Director, Directorate of Museums, Dr. Sonashree Brahma, Circle Officer, Raha and Dr. Rajashree Bora of Raha College among other dignitaries.

## Joint Secretary, KAAC, Karbi Anglong appointed as Returning Officer of 15-Mohamaya

The State Election Commission has appointed the Joint Secretary of Karbi Anglong Autonomous Council (KAAC) as the Returning Officer of 15-Mohamaya Constituency, who will be responsible for the overall conduct of the ongoing Election to KAAC, 2022. Earlier, Assistant Commissioner-II, Karbi Anglong was appointed for this purpose.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025
২৮ জেঠ, ১৪২৭ চন Rongili Barta, Date of Publication-- 12 June, 2022

## Beauty of the Week



**Palakshi Goswami**

# আমি ঘামো কিয় ?

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**



মৰমৰ মইনাহঁত জুন মাহ অহাৰ লগে লগে আমি বেছিকৈ গৰম অনুভৱ কৰিছো নহয়নে বাৰু? গৰমত ঘামি - জামি থকাৰ বাবে ভাগৰ লগাৰ লগতে আকৌ ঘামচিৰ চিত্‌চিতনি আছেই! মুঠৰ ওপৰত গৰমৰ দিনবোৰ বৰ অসহ্য কৰ! গৰমকালি আমাৰ গাৰ পৰা ঘাম কিয় ওলাই বাৰু? নাঘামো বুলি আমি নঘমাকৈ থাকিব পাৰিম নে? নোৱাৰিম! কিয়নো ঘাম ওলোৱাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া। মানুহৰ শৰীৰত থকা ঘৰ্ম গ্ৰন্থি সমুহৰ পৰা ঘাম ওলায়। আমাৰ শৰীৰত প্ৰায় দুইৰ পৰা চাৰি নিযুত ঘাম ওলোৱা গ্ৰন্থি থাকে। এই গ্ৰন্থি সমুহক অটোনমিক নাৰ্ভাচ চিষ্টেমে নিয়ন্ত্ৰণ কৰে। আমাৰ ছালৰ ত্বকখনৰ দুটি প্ৰধান স্তৰ থাকে। এটা হৈছে এপিডাৰ্মিছ আৰু আনটো হৈছে ডাৰ্মিছ । ডাৰ্মিছ ৰ তলত হাইপোডাৰ্মিছ নামৰ আন এক তৰপ আছে। এই তৰপ সমূহতে ঘৰ্মগ্ৰন্থি সমূহ থাকে। ঘৰ্মগ্ৰন্থি সমূহ হে ঘামৰ জৰিয়তে দেহত উৎপন্ন হোৱা অপ্ৰয়োজনীয় পদাৰ্থসমূহ ছালৰ ৰন্ধ্ৰেৰে জুলীয়া ৰূপে বাহিৰলৈ উলিয়াই পঠিওৱা কে ঘাম ওলোৱা বুলি কোৱা হয়। শৰীৰৰ ছালৰ তলতেই থকা চুঙা আকৃতিৰ ঘৰ্মগ্ৰন্থি সমূহে ছালত থকা সৰু সৰু ৰন্ধ্ৰৰ মাজেৰে ছালৰ ওপৰলৈ ঘাম উলিয়ায় পঠিয়ায় ।শৰীৰে নিৰ্দিষ্ট পৰিমাণতকৈ বেছি ঘাম বাহিৰ কৰি দিলেই পিন্ধি থকা কাপোৰ ঠায়ে ঠায়ে তিতি যায়। ঘামত তিতা কাপোৰ পিন্ধি থাকিব নালাগে। কেতিয়াবা ঘামৰ গোন্ধ ওলায়। এই ঘামে আমাৰ শৰীৰৰ তাপ নিয়ন্ত্ৰণ কৰে। সেয়ে ঘামি উঠাৰ পাছত অলপ ঠাণ্ডা অনুভৱ কৰোঁ। বেছিকৈ ঘামিলে শৰীৰৰ পানী ভাগ কমি যায়। শৰীৰত পানীৰ সমতা অটুট ৰাখিবলৈ আমি উপযুক্ত পৰিমাণে পানী খাব লাগে। শৰীৰত পানীৰ অভাৱ হ'লে বহু ৰোগে আসৈ পায়। ঘামে আমাৰ শৰীৰৰ কেনে উপকাৰ সাধে চাওঁচোন - ঘামে আমাৰ শৰীৰৰ তাপমাত্ৰা নিয়ন্ত্ৰন কৰে, শৰীৰৰ পানী ভাগৰ সমতা অটুট ৰাখে, ত্বক আৰু ছালখনক আৰ্দ্ৰ (সেমেকা) কৰি ৰাখে, ৰোগৰ বীজাণু প্ৰতিৰোধ কৰে তাৰোপৰি এচিড আৰু খাৰৰ সমতা নিয়ন্ত্ৰণ কৰে। আমি কেতিয়া ঘামো বাৰু! গাৰ পৰা ঘাম ওলোৱা কথাটো বতৰৰ ওপৰতো নিৰ্ভৰ কৰে। বতৰ গৰম হ'লে, কেতিয়াবা বেছিকৈ ভয় খালে বা আৱেগজনিত কাৰণতো ঘামিব পাৰোঁ। ঠাণ্ডা বতৰ বা বৰষুণৰ বতৰত বতাহ বলি থাকিলে ঘাম উৎপন্ন নহয়।

ঘামৰ শতকৰা ৯৯ ভাগ পানী বাকী এভাগত থাকে লৱণ, এচিড, ইউৰিয়া, প্ৰ'টিন, এমোনিয়া আদি থাকে। কাষলতি আৰু উৰুসন্ধি অংশত থকা ঘৰ্মগ্ৰন্থিৰ পৰা নিৰ্গত হোৱা ঘামত লৱণ, এচিড, ইউৰিয়া আদি থকাৰ উপৰিও ইণ্ডোক্সিল, উদ্বায়ী ফেটি এচিড, হাইড্ৰোক্সিল এচিড থাকে। সেয়ে এই অঞ্চলৰ ঘামৰ গোন্ধ থাকে। গা ঘামি উঠাৰ পাছত পৰিস্কাৰ পানীৰে চাফা কৰিব লাগে। কোনো কাৰণতবসতঃ ছালৰ ৰন্ধ্ৰ সমুহ অৰ্থাৎ ঘৰ্ম ছিদ্ৰ বন্ধ হৈ যায় তেতিয়া ঘাম ওলাব নোৱাৰা হৈ ঘামচিৰ সৃষ্টি হোৱাৰ লগতে বীজাণুৰ সংক্ৰমণ ঘটি চৰ্ম ৰোগ হোৱাৰ সম্ভাৱনা থাকে। গতিকে গৰমৰ দিনত আমি আমাৰ ছালখন পৰিস্কাৰ কৰি ৰাখিব লাগে।

## Art of the Week



**Arnaa Sharma,Class 7**

## Photography of the Week



**Prantik Hazarika**

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286